চান্দমামা

এপ্রিল ১৯৯২



LUXOR SUPER OFFER
FREE!
LUXOR COLOUR FUN BOOKS
COLOUR FUN
Colour Fun
FUNSET
Buy
ANY OF THESE
4 DISNEY
PEN SETS
AND GET
AN EXCITING
LUXOR COLOUR
FUN BOOK FREE!
ENTER THE MAGIC WORLD OF LUXOR COLOUR. ENTER THE WORLD OF EXCITEMENT.
Luxor®
Everyday, India writes the Luxor way
Luxor Pen Company, 5631, First Floor, Qutab Road, New Delhi-110055, Tel.: 514885, Cable: HITECPEN.
CLARION D 4288

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical.. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.

LION *Gee-flo®* BALLPENS
035 carbine **050 carborite**

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD. 95, Parijat, Marine Drive, Bombay 400 002.

National-728

Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine
Tonight
Tomor


little one a cuddles?
I can't cha
no mice
But I'm
soft 'n' nice
Give the
Li'l Panda
a Handa
No carrots to eat
But I'm a treat
bug me tight
I'll give you
ride
The
CHANDAMAMA
Collection of Soft Toys
CHANDAMAMA TOYTRONIX

চান্দমামা

*

এপ্ৰিল ১৯৯২

এই * আছে

সংখ্যাত

*

নতুন মহাসচিব	:	৯	জোৰাৰ	:	৩৭
বৌ বৌ	:	১১	ঠেং আৰু ঠুঙুৰি	:	৪১
			শুক	:	৪২
অপূৰ্ব-কাহিনী	:	১৭	বীৰ হনুমান	:	৪৫
সৰব-ন	:	২৪	যোগ্য ভোগ্য	:	৫৩
আত্মমৰ্য্যাদা	:	২৫	বিশ্বাস-আত্মবিশ্বাস	:	৫৭
হোৰা	:	৩২	বায়স-কথা	:	৬০
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

অধীত জ্ঞানৰ প্ৰয়োগ

তোমালোকৰ মাজত বহুতেই বছৰেকীয়া পৰীক্ষা সাং কৰিলা, কিছুমানে হয়তো এতিয়াও দি আছা, আৰু এক দীঘলীয়া ছুটিলৈ বাট চাই আছা জিৰণি ল'বৰ বাবে। জীৱনত শিক্ষাৰ ভূমিকা কি তালৈ ঘূৰি চোৱাৰ তথা চিন্তা কৰাৰ এয়েহে সময়।

বিদ্যাশিক্ষা কেৱলৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবেইনে? কেৱল ডিগ্ৰি আৰু ডিগ্ৰিৰ সহায়ত চাকৰিৰে নিজৰ জীৱনক সুখভোগেৰে পৰিপূৰ্ণ কৰাৰ বাবেইনে?

আমাৰ চৰিওফালে যিসকল অলপ ভগ্যশালী, তথা দুৰ্ভগীয়া মানুহ আছে। যিসকল ডালদৰিদ্ৰ, পীড়িত আৰু বিকলাংগ আছে, সিসকলৰ সৈতে, সিসকলৰ দুঃখৰ সৈতে তোমালোকৰ সুখ ভাগ কৰি ভোগ নকৰিলে হ'বনে?

আমাৰ চাৰিওফালে যি আৰু যিমান দুখ-যাতনা দেখা পাওঁ, সেই দুখ-যতনাবোৰক আমি অনিবাৰ্য্য বুলিয়েই ভাবি লৈছোঁ আৰু চকু মুদা কুলিৰ ভাও জুৰিছোঁ। শিক্ষাই কিন্তু ছিল্যাবাছ তথা নিৰ্দ্ধাৰিত পাঠ্যক্ৰমতকৈ অধিক ভূমিকা ল'ব পাৰে। যিবোৰ দুখ-দাৰিদ্ৰ্য পীড়া আদিয়ে সমগ্ৰ সমাজখনকে পীড়িত কৰি তুলিছে, আমি আমাৰ শিক্ষাৰ সহায়তাৰে সেই পীড়িত সমাজখনৰ পৰিষ্কৃতকৰণৰ বাবে আমি নিশ্চয় কিঞ্চিত বৰঙনি যোগাব পাৰোঁ।

এই কামৰ এয়েহে সময়

বছৰ : ১৭   এপ্ৰিল ১৯৯২   সংখ্যা : ১

খনে : ৪'০০টকা : বছৰেকীয়া বৰঙণি : ৪৮'০০ টকা

"मेरि" गोल्ड कवरिग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

সংযুক্ত ৰাষ্ট্ৰসংঘৰ নতুন মহাসচিব

মিছৰদেশৰ ভূতপূৰ্ব উপ-প্ৰধানমন্ত্ৰী শ্ৰী বাউট্ৰ'ছ ঘালিয়ে নৱবৰ্ষৰ প্ৰথম দিনৰপৰা সংযুক্ত ৰাষ্ট্ৰসংঘৰ মহাসচিবৰ পদ গ্ৰহণ কৰিলে। পৃথিৱীৰ প্ৰমুখ ৰাজনৈতিক নেতৃবৰ্গৰ মাজৰ অন্যতম শ্ৰীঘালিৰ বয়স উনসত্তৰ বছৰ।

শ্ৰী ঘালি যেতিয়া মিছৰৰ পৰৰাষ্ট্ৰমন্ত্ৰী আছিল, তেতিয়াই তেওঁ তেওঁৰ সুষ্ঠু আৰু সৎ কাৰ্য্যাৱলীৰ ফলত বিশ্বৰ দষ্টি আকৰ্ষণ কৰিব পৰা হৈছিল। ১৯৭৯ চনত মিছৰ-ইজৰায়েল যুদ্ধ-বিৰতি চুক্তি শ্ৰীঘালিৰ প্ৰচেষ্টাৰেহে সম্ভৱ হৈছিল। 'ক্যাম্প ডেভিড চুক্তি' নামৰ এই বিখ্যাত চুক্তিক কৈইবাদশকো ধৰি দুয়োখন দেশেই মানি চলিছে। ১৯৯০ চনত ইৰাকে কুৱেত আক্ৰমণ কৰিছিল আৰু ইৰাকক ভৰ্ৎসনা-কাৰী ব্যক্তিবৰ্গৰ মাজত ঘালিৰ স্থান আছিল অতি উচ্চ। এই উভয় কাৰ্য্যৰ ফলত শ্ৰী ঘালি হৈ উঠিছিল বিশ্বৰ অন্যতম সন্মানিত বিশ্ব-ব্যক্তিত্ব।

সংযুক্ত ৰাষ্ট্ৰসংঘৰ মহাসচিব ৰূপে শ্ৰী ঘালি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত। এতিয়া সমগ্ৰ বিশ্ব বিভিন্ন জটিল সমস্যাৰে জৰ্জৰিত। বিশেষকৈ কেম্পুচিয়া আৰু যুগোশ্লাভিয়াত শান্তি ৰক্ষাৰ দায়িত্ব সংযুক্ত ৰাষ্ট্ৰসংঘয়েই কঢ়িয়াবলগা হৈছিল।

শ্ৰী বাউট্ৰ'ছ ঘালি হ'ল সংযুক্ত ৰাষ্ট্ৰসংঘৰ ষষ্ঠ মহাসচিব। ইয়াৰ আগৰ মহাসচিবকেইগৰাকী হ'ল যথাক্ৰমে : নৰবেৰ শ্ৰী ট্ৰিগভি লি (১৯৪৬-৫৩), সুইডেনৰ ডাগ হ্যামাৰজোল্ড (১৯৫৩-৬১), মায়নামাৰাৰ য়ু থাণ্ট (১৯৬১-৭১), অষ্ট্ৰিয়াৰ ড° কুৰ্ট ওৱাল্ডহাইম (১৯৭২-৮১), আৰু পেৰুৰ পেৰেজ ডি কুয়্যাৰেলাৰ (১৯৮২-৯১)।

কেম্পুচিয়াৰ সকলো ৰাজনৈতিক দলক সম্মত কৰাই 'ছুপ্ৰিম ন্যাশ্বন্যাল কাউন্সিল, স্থাপনা কৰি গণতান্ত্ৰিক চৰকাৰ স্থাপন দিহা লোৱা হৈছে।

যুগোশ্লাভিয়াত শ্লাভেনিয়া আৰু ক্ৰোয়েশ্বিয়াৰ দৰে ৰিপাবলিকে স্বাধীনতা ঘোষণা কৰি স্বতন্ত্ৰ দেশ ৰূপে মূৰ দাঙি গৃহযুদ্ধৰ বাতাবৰণ সৃষ্টি কৰিছিল। ইয়াত শান্তিৰ বাবে আমেৰিকা, ৰুশ্ব আৰু আন কিছুমান দেশেও প্ৰচেষ্টা চলাইছে।

সমগ্ৰ বিশ্বত শান্তিৰ সুৰক্ষা সংযুক্ত ৰাষ্ট্ৰসংঘৰ এক মহান দায়িত্ব, আৰু এই দায়িত্বৰ শীৰ্ষত আছে মহাসচিবৰ দায়িত্ব। কিছু কিছু ক্ষেত্ৰত সংযুক্ত ৰাষ্ট্ৰসংঘৰ সংস্থাগত পৰিৱৰ্তন-পৰিৱৰ্ধন অতি আৱশ্যকীয় হৈ উঠিছে। নিৰাপত্তা পৰিষদত জাৰ্মানি তথা জাপানক স্থায়ী সদস্যতা প্ৰদান কৰি নিৰাপত্তা পৰিষদৰ ব্যাপক বিস্তৃতিৰ আৱশ্যকতা বহুদিনৰেপৰাই অনুভূত হৈ আহিছে। সম্প্ৰতে, ভাৰতস্থ আমেৰিকাৰ ৰাষ্ট্ৰদূত প্যাট্ৰিক ময়নিহান মহোদয়ে ভাৰতকো সংযুক্ত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ স্থায়ী সদস্যপদ দিব লাগে বুলি এক বিবৃতিৰ যোগে মন্তব্য তেওঁৰ সুচিন্তিত আগবঢ়াইছে।

সংযুক্ত ৰাষ্ট্ৰসংঘৰ নতুন মহাসচিব নিৰ্বাচিত হোৱাৰ পাছত ঘালিয়ে কৈছে :

"মোৰ এই নিৰ্বাচনক মই মোৰ নিজৰ আৰু মোৰ দেশৰ বাবেও মহান সন্মানৰূপে গণ্য কৰিছোঁ। আজিৰ পৃথিৱীৰ চুকে-কোণে বহু ধৰণৰ পট-পৰিৱৰ্তন হৈছে, প্ৰতিনিয়ত নতুন নতুন পৰিস্থিতিৰ সৃষ্টি হৈছে। এইবোৰ পৰিৱৰ্তিত পৰিস্থিতিত সংযুক্ত ৰাষ্ট্ৰসংঘই তাৰ মাহন দায়িত্ব সুষ্ঠুভাবে পালন কৰিব —সমগ্ৰ বিশ্বয়েই এই আশা পালি ৰৈ আছে। মই নিজৰ কৰ্তব্য পালন কৰিবলৈ নিৰলস প্ৰচেষ্টা চলাই থাকিম।"

১৯৪৫ চনত সংযুক্ত ৰাষ্ট্ৰসংঘ স্থাপিত হৈছিল। তেতিয়া বিশ্বৰ ৫১ খন দেশ ৰাষ্ট্ৰসংঘৰ সদস্য আছিল। এতিয়া ১৬৬ খন দেশ সংযুক্ত ৰাষ্ট্ৰসংঘৰ সদস্য। যোৱা ছেপটেমবাৰ মাহত. অতি সম্প্ৰতি স্বাধীনতা ঘোষণা কৰা বাল্টিক ৰিপাবলিক, উত্তৰ আৰু দক্ষিণ কোৰিয়া, প্ৰশান্ত মহাসাগৰীয় দেশ মাইক্ৰ'নেশ্বিয়া আৰু মাৰ্শ্বাল দ্বীপেও ৰাষ্ট্ৰসংঘৰ সদস্যপদ প্ৰাপ্ত হৈছে।



ৰৌ ৰৌ

প্ৰকাশ আছিল পালামপুৰৰ কাচাৰীৰ এজন কৰ্মচাৰী। এদিন কাচাৰীৰ কামতে অলপ দূৰণিবটীয়া গাঁও এখনলৈ বুলি ওলোৱাৰ আগে আগে প্ৰকাশে তেওঁৰ পৰিবাৰ জানকীক সকলো ফালে সতৰ্ক হৈ থাকিবলৈ উপদেশ তথা টানি আদেশ দিলে আৰু ক'লে যে তাৰপৰা উভতি আহোঁতে আনকি দুদিনমানো লাগিব পাৰে, গতিকে সকলো কথাতে অতি সাৱধান হৈ থাকিব লাগিব।

*

জানকীয়ে যেতিয়া ঘৰৰ কাম-বনখিনি অঁতাই-পিটাই আজৰি হ'ল, তেতিয়া সাঁজ লাগি ভাগিবৰ হওঁ হওঁ। গিৰিয়েক বা আন কোনো নথকা ঘৰটোৰ চুকে-কোণে চাবলৈকো জানকীৰ গা চিকেহি মাৰি উঠিল। এনেতে হঠাৎ জানকীৰ চকু পৰিল ঘৰৰ দুৱাৰমুখত।

ঘৰৰ দুৱাৰমুখত এখন গৰুৰ গাড়ীৰপৰা বুঢ়া মানুহ এজন নামি আহিল। বুঢ়া মানুহজনে এটা হাতনি-পেৰাও গাড়ীৰপৰা নমাই আনিলে।

*

গাড়ীৰ গাড়োৱানে চিঞৰি বুঢ়া মানুহজনক ক'লে, "বোলোঁ—হৈ বুঢ়া, চহৰলৈ যাবা বুলি গাড়ীখন ল'লা—পিছে চহৰলৈ নগৈ ইয়াতনো নামিলা কেলেই?"

বুঢ়া মানুহজনে গাড়োৱানলৈ চাই ক'লে, "মই য'তেই নানামো, তোমাৰ কি হে? তুমি তোমাৰ পূৰা ভাড়া পালানে নাই তাকে কোৱা। মই আজি ৰাতি মোৰ ভাইটিৰ ঘৰত থাকোঁ যদি তোমাৰ কিখিনি

ৰঞ্জিতা বৰকাকতী

অনিষ্ট হ'ব কোৱাবোঁ ? কিবা লোচকান হ'বনে বাৰু তোমাৰ ?"

বুঢ়া মানুহজনে জানকীহঁতৰ ঘৰলৈ বুলি আগুৱাই গৈ থকাত জানকীয়ে সুধিলে, "ককা, কথা এটা শোধোঁনে ? আপুনিনো কোন ? এই ঘৰটোক আপুনি কাৰ ঘৰ বুলি ভাবিছেনো ?"

"প্ৰথমে অলপ খোৱাপানী দিয়াচোন আই—তাৰ পাছত তোমাৰ কথাৰ উত্তৰ দিম।" এই বুলি কৈ, এই অচিনাকি বুঢ়াই বাৰান্দাত থকা চকি এখনত ধুপুচ কৈ বহি দিলে।

পানী খোৱাৰ পাছত বুঢ়াই ক'লে, "এই ঘৰ কাৰ—মই ক'ব নোৱাৰোঁ। তোমালোকক মই কোনো কাহানি দেখাও নাই—চিনিও নাপাওঁ। কিন্তু আজি ৰাতিছোৱা তোমালোকৰ ইয়াতে খাপি—কালিলৈ মই গুচি যাম বুলি ভাবিছোঁ।"

শুনি— জানকীৰ কেনেবা লাগিল। তাই বুঢ়া মানুহজনলৈ পৰীক্ষা কৰাৰ দৃষ্টিৰে চাই ক'লে, "আপুনি ৰাতিটো ইয়াত থাকিব বুলি কৈছে—থাকে যদি থাকক। কিন্তু—ককা, আপুনি কিবা বিপদত পৰা যেন পাইছোঁ। সেই বিপদ কেনেকুৱা বিপদ—ক'বনে অনুগ্ৰহ কৰি ?"

"হয়, আই, ক'ম তোমাক মোৰ বিপদৰ কথা। ভাঙি-পাতিয়েই ক'ম।" এই বুলি কৈ বুঢ়াই গৰুৰ গাড়ীৰপৰা নমাই অনা সেই হাতনি-পেৰাটো খুলি জানকীক দেখুৱালে।

বুঢ়াৰ কাণ্ড দেখি জানকী অবাক হ'ল। হাতনি-পেৰাৰ ভিতৰত তৰহে তৰহে সোণৰ গহনা জলমলাই উঠিল। এইবোৰ গহনাৰ মাজত এধাৰ কৰ্দ্দনি অৰ্থাৎ অতি ধুনীয়া জলমলীয়া কঁকালী-জৰীও আছিল। সেই কৰ্দ্দনিধাৰৰ ওজন ষাঠি তোলা।"

*

তাৰ পাছত বুঢ়া মানুহজনে নিজৰ কথা

যি কৈছিল তাৰ সাৰমৰ্ম হ'ল:

এই বুঢ়া মানুহজনৰ নাম হ'ল নীলকণ্ঠ। নীলকণ্ঠ এজন খেতিয়ক আছিল আৰু তেওঁৰ আছিল তিনিজন পুত্ৰ। তিনিও পুত্ৰই বিয়া কৰাইছিল। কিন্তু এজনৰো খেতি-বাতিলৈ মন নথকাত বুঢ়াই তেওঁৰ মাটি হালিচা মাটি সোপাকে বেচি সেই মাটিবেচা টকা তিনিও পুতেকৰ মাজত সমানকৈ ভগাই দিলে। তাৰ পাছত বুঢ়াৰ তিনিও পুতেকে নিজৰ নিজৰ ভাগৰ টকাৰে চহৰত বেহা-বেপাৰ কৰিবলৈ ধৰিলে। বৃদ্ধ নীলকণ্ঠ আৰু তেওঁৰ পত্নী গাঁৱৰ ঘৰতে আছিল। এদিন বৃদ্ধৰ পত্নী ঢুকাল আৰু বৃদ্ধ-নীলকণ্ঠই বাধ্যত পৰি চহৰলৈ গুচি গ'ল। তাৰ পাছত এয়ে শেষবাৰৰ বাবে গাঁৱলৈ গৈ, গাঁৱৰ ঘৰ-দুৱাৰো বেচি থৈ, পত্নীৰ গহনা-পাতি লৈ ৰাওনা হৈছিল চহৰলৈ। কিন্তু এই গৰুৰ গাড়ীৰ গড়োৱানেই গজালি হৈ উঠিব পাৰে বুলি তেওঁৰ ধাৰণা হৈছে। এইখিনি সময়তে এই গাড়ীখন চহৰ পাবগৈ লাগিছিল; কিন্তু গাড়োৱানটোৱে তাৰ গাড়ীখন অস্বাভাৱিকভাৱে শামুকীয়া গতিৰে চলোৱাতহে এইখানিতে সাঁজ লাগি ভাগিল। সেইহে—ভেওঁ ভয় খাই মিছামিছিকৈ তেওঁৰ ভায়েকৰ ঘৰত থাকিব

বুলি কৈ ইয়াত—নিৰাপদ ঠাই বুলি ভাবি —তেওঁ নামি দিলে।

"ভালেই কৰিলে "জানকীয়ে কৈ উঠিল, "বলক, হাত-মুখ ধুই—খাই-বৈ আৰাম কৰক।"

খোৱা-বোৱাৰ পাছত বৃদ্ধ নীলকণ্ঠই ক'লে, "আইটি, তুমি মোৰ কিমান যে উপকাৰ কৰিলা মুখেৰেনো কিমান ক'ম? পিছে—তুমি মোক আন এটা বুদ্ধি দিব পাৰিবানে বাৰু?"

জানকীয়ে কৌতূহলী হৈ সুধিলে, "মইহেনে আপোনাক বুদ্ধি দিব লাগিব? কি নো কয় ককা?"

"এজনীক কৰ্দ্ধনি দিয়া—আন দুজনীক সেই কৰ্দ্ধনিৰ দামৰ তিনিভাগৰ এভাগকৈ ধন নগদে দিলেই হৈ যাব বুলি মোৰ ধাৰণা হৈছে ককা। জানকীয়ে বিপঙুৱা বৃদ্ধক ক'লে।

"নগদ ধন মোৰ হাতত একপইচাও নাই। মাত্র এই গহনাকেইপদহে আছেগৈ। মোৰ হাতত নগদ ধন থকা-হেঁতেন, কোনো সমস্যা ন'হলহেঁতেন।" বৃদ্ধ নীলকণ্ঠই জানকীক ক'লে।

জানকীয়ে সামান্য সময়লৈ চিন্তা কৰি চালে আৰু তাৰ পাছত ক'লে, "তেনেহ'লে কাম এটা কৰক। যিজনী বোৱাৰীয়ে আপোনাক আটাইতকৈ অধিক মৰম কৰে, বা আটাইতকে অধিক আলপৈচান সেইজনীকে কৰ্দ্ধনিধাৰ দিয়ক।"

নীলকণ্ঠই মিচিকীয়াই হাঁহি ক'লে, "তিনিওজনীয়েই মোক খুবেই মৰম কৰে সেৱা-যত্নও কৰে। গতিকে—কাক এৰি কাক দিওঁ যে—"

"শুনক, ককা, তিনিওজনী বোৱাৰীয়েই আপোনাক একেদৰেই মৰম কৰে—এই কথা সঠিক নহ'বও পাৰে। আপুনি এই তিনিজনীৰ আপোনাৰ প্ৰতি মৰমৰ তথা আপোনাৰ প্ৰতি প্ৰকৃত সেৱা-যত্নৰ বোৱাৰী পৰীক্ষা লওক।"

বৃদ্ধ নীলকণ্ঠই মুহূর্তমান তাপ মাৰি থকাৰ পাছত ক'লে, "মোৰ ওচৰত এশ তোলা সোণৰ গহনা আছে। এই কৰ্দ্ধনিধাৰৰ ওজনেই হ'ল ষাঠি তোলা। পৰিবাৰৰ এই কৰ্দ্ধনিধাৰ বেচাৰ, বা অন্যৰকমে নষ্ট কৰাৰ ইচ্ছা মোৰ সমূলি নাই। কিন্তু মোৰ তিনিও বোৱাৰীৰ মাজৰ কোনোবা এজনীক যদি ষাঠি তোলা ওজনৰ এই কৰ্দ্ধনিধাৰ দিওঁ, আন দুজনীক মাত্র বিছ তোলাকৈহে গহনা দিব পাৰোঁ। সমান ভাবে দিয়াৰ উপায় নাই। ইজনীক বেছি দিলে সিজনীক কম। এই কথাৰহে তোলা-মহা পোৱা নাই মই।"

“কেনেকৈনো ?” বৃদ্ধই বিভ্ৰান্তৰ দৰে জানকীক সুধিলে।

জানকীয়ে উত্তৰ দিলে, “সামান্যমান অভিনয় কৰিলেই তিনিওজনীৰ মাজৰ্ত থকা প্ৰভেদ-পাৰ্থক্য ওলাই পৰিবযে আপোনাক কোনে আটাইতকৈ অধিক ভাল পায়। মই যেনেকৈ যি কাম কৰিবলৈ ক'ম কৰিলেই সেই কথাৰ চয়-নিচয় হৈ যাব।”

পাছদিনা জানকীয়ে বৃদ্ধ নীলকণ্ঠৰ হস্তাক্ষৰেৰে তেওঁৰ বোৱাৰী তিনিওজনীক ইয়ালৈ আহিবলৈ চিঠি লিখোৱালে আৰু সেই চিঠি গাঁৱৰ মানুহ এজনৰ হতুৱাই বৃদ্ধৰ চহৰৰ ঘৰলৈ পঠালে।

সেইদিনাই, দুপৰীয়াৰ পৰভে নীলকণ্ঠৰ বোৱাৰী তিনিজনীয়ে জানকীহঁতৰ ঘৰ পালেহি।

গাড়ীৰপৰা তিনিওকো নামিবলৈ ধৰা দেখিয়েই জানকীয়ে আছুতীয়া কোঠা এটাত বুঢ়া নীলকণ্ঠক তক্তাপোচ এখনৰ ওপৰত শোৱাই মৃতকক ঢাকি থোৱাৰ দৰে বগা চাদৰ এখনেৰে মূৰৰপৰা ভৰিলৈকে ঢাকি থ'লে।

বেচাৰী তিনিওজনীৰ প্ৰশ্নৰ উত্তৰত জানকীয়ে ক'লে, “মোৰ স্বামী হ'ল আদালতৰ উকিল। আপোনালোকৰ শহুৰদেউতাৰাই — নীলকণ্ঠদেৱে তেওঁৰ ওচৰত থকা সোণৰ গহনাখিনি চহৰৰ এখন ‘বৃদ্ধাৰাস'লৈ দান কৰাৰ বাবে আইনগত কাগজপত্ৰ যুগুতাই দিবলৈ মোৰ স্বামীক অনুৰোধ কৰিছিল। এই কামটি কৰাবলৈহে আপোনালোকৰ শহুৰ মহাশয়ে আমাৰ ইয়ালৈ আহিছিল।”

জানকীয়ে সেই দানপত্ৰ বোৱাৰী তিনিওজনীক দেখুৱালে।

দেখি আৰু শুনি নীলকণ্ঠৰ বোৱাৰী তিনিওজনীয়েই একেবাৰে ৰঙা ক'লা তিনিবৰণীয়া হ'ল। সিহঁতি পৰস্পৰলৈ অতি বিৰক্তিসনা দৃষ্টিৰে চালে আৰু

ইংগিতত‍ে ইজনীয়ে সিজনীৰ কিবাকিবি ক'লে।

প্ৰতিজনী বোৱাৰীয়েই বৃদ্ধ নীলকণ্ঠক তেওঁৰ এই কামৰ বাবে নিন্দা কৰি গালি পাৰি থাকিল, আৰু কাষৰীয়া কোঠাটোত মৃতকৰ ভাও জুৰি শুই শুই নীলকণ্ঠই নিজ কাণেৰে বোৱাৰীহঁতৰ বোল-মাত শুনি থাকিল। নীলকণ্ঠ যে এটা লেতেৰা বাগিয়াৰ মাথোন, এটা সলি-সিয়ান, সেই কথাত তিনিওজনী বোৱাৰী একমত হৈ ধুমুহাৰ দৰে তালৈ অহা দি ধুমুহাৰ দৰে জানকীহঁতৰ ঘৰৰতাৰপৰা ওলাই হুপহুপাই গুচি গ'ল।

বোৱাৰীহঁতৰ কথা স্বকৰ্ণে শুনিও বৃদ্ধই বিশ্বাস কৰিবলৈ টানহে পালে। বৃদ্ধ নীলকণ্ঠ — তেওঁৰ নিজৰ বোৱাৰীহঁতৰ প্ৰকৃত পৰিচয় পাই—অত্যন্ত স্তম্ভিত-আৰু তাৰ লগতে ব্যথিত হৈ পৰিল।

জানকীয়ে নীলকণ্ঠ বুঢ়াক সান্ত্বনাদি ক'লে, "ককা, আপুনি এই কথাত ভাগি নপৰিব। সংসাৰৰ প্ৰকৃত ৰূপ আচলতে এয়ে। ব্যতিক্ৰমও আছে—কিন্তু ব্যতিক্ৰম ব্যতিক্ৰমেই, তাৰে সমাজ-সংসাৰৰ উপকাৰ আচলতে বৰ কমেই হয়। আপুনি এই কথাত বৰ বেছি চিন্তিত নহ'ব। মোৰ নিজৰ দেউতাও এখন বৃদ্ধাবাসতে আশ্ৰয় ল'লে, কিয়নো—তেওঁৰ বোৱাৰী-ভাগ্য আপোনাতকৈও বেয়া, আৰু আমাৰ লগত আমাৰ ঘৰতো তেওঁ নাথাকে" এই বুলি কৈ সেই নকল দানপত্ৰখন জানকীয়ে ফালিবলৈ ধৰোঁতেই বৃদ্ধ নীলকণ্ঠই বাধা দি ক'লে, "আইটি মোৰ, সেইখন ফালি নেপেলাবা। মোৰ এই সোণখিনি মই সঁচাসঁচিকৈ বৃদ্ধাবাসলৈ দান কৰিম আৰু ধুদ্ধ বয়সৰ বৌ বৌ ৰূপী সংসাৰ এৰি আজিৰ দিনৰ বানপ্ৰস্থ বৃদ্ধাশ্ৰমত জীৱনৰ বাকীছোৱা কাল অতিবাহিত কৰি সংসাৰৰ —বৌ বৌৰ কন্দৰনিৰপৰা ৰেহাই ল'ম।"



অপূৰ্ব কাহিনী

১২

[আগৰ কথা : ৰুদ্ৰপুৰীৰ মহামন্ত্ৰী আৰু বাগিয়াৰবো বাগিয়াৰ তান্ত্ৰিক বীৰবিকটে ৰাজকুঁৱৰীৰ ডিঙিত থকা চন্দ্ৰকান্তমণি অপহৰণ কৰাৰ ষড়যন্ত্ৰ পাতিছিল। ৰাজকুঁৱৰীৰ ডিঙিত থকা মহামূল্য চন্দ্ৰকান্তমণিৰ সংবাদ বীৰবিকটে বুঢ়ী যাদুকৰীক দিলেগৈ। কিন্তু বুঢ়ী যাদুকৰীক চন্দ্ৰকান্তমণি নালাগে, লাগে ৰাজকুঁৱৰীক। কিয়নো—ৰাজকুঁৱৰীৰ যৌৱনৰস তন্ত্ৰৰ প্ৰভাৱেৰে শুহি লৈ খেতৰ সাইজ বুঢ়ী যাদুকৰীয়ে তাইৰ কংকালহেন হৈ পৰা দেহত পুনৰ যৌৱন ঘূৰাই পাব বুলি বহু কালৰেপৰাই বিভিন্নভাৱে চেষ্টা কৰি আছে। এইবাৰো। আৰু তাৰ পাছত ...]

এই বছৰ সঠিক সময়ত ঠিকভাৱে বৰষুণ দিয়াত ৰুদ্ৰপুৰী ৰাজ্যত শস্যৰ ওপজ অতি ভাল হৈছিল আৰু ৰাইজৰ মাজত কোনো অভাৱ-অনাটন নাছিল। এই বছৰ ৰাজকুঁৱৰীৰ জন্মদিনৰ উছৱ অতি ধুমধামেৰে পালন কৰা হ'ব বুলি মহাৰাজে স্থিৰ কৰাত মহামন্ত্ৰীয়ে দুগুণ উৎসাহেৰে ক'লে, "আমাৰ মৰমৰ ৰাজকুঁৱৰীৰ জন্মদিন এনেকৈ ধুমধামেৰে পালিব লাগিব—যাতে এই উৎসৱ চাই তথা এই উৎসৱৰ আনন্দ উপভোগ কৰি সমগ্ৰ ৰাজ্যখনৰ ৰাইজে এই অভাৱিত উছৱৰ কথা জীৱনকাললৈ সুঁৱৰি থাকে।"

মহামন্ত্ৰীৰ কথা শুনি মহাৰাজো পৰিতুষ্ট হ'ল আৰু মহামন্ত্ৰীৰ ৰাজভক্তিৰ পৰিচয় নতুনকৈ পাই অত্যন্ত প্ৰীত হ'ল।



সিদিনা আকাশখনক ক'লীয়া ডাৱৰে কৰাল মাৰি ধৰিলে আৰু অলপ পাছত বৰষুণেও জাগন পাতিলে, লগতে ধুমুহা-বতাহো বলিলে। এনে ধুমুহা-বৰষুণৰ মাজত তান্ত্ৰিক বীৰবিকটে কিচকিচীয়া ক'লা সাজ-পাৰ পিন্ধি, তাৰ বাহন ভালুক ভুল্লাভুৰ পিঠিত উঠি, গভীৰ অৰণ্যৰ মাজেদি ৰুদ্ৰপুৰীৰ সীমা-মূৰিয়লিত থকা দুৰ্গা মন্দিৰলৈ বুলি বেগাই গৈ থাকিল।

এই দুৰ্গা গোসাঁনী কেৱল এই ৰাজ-পৰিয়ালৰে নহয়, ৰুদ্ৰপুৰীৰ ৰাইজৰো আৰাধ্যা দেৱী আছিল। অৰণ্যৰ সীমাত থকাহেতুকে এই দুৰ্গা-দ'লৰ চাৰিওফালৰ পৰিবেশ আছিল নিজমে-নিস্তব্ধ। সাঁজ লাগি ভগাৰ পাছত এই মন্দিৰত কোনো মানুহ-দুনুহ নথকা হৈছিল। পূজাৰীয়ে সন্ধিয়াৰ আগে আগেই সন্ধ্যাদীপ জ্বলাই থৈ ঘৰলৈ গুচি গৈছিল।

দুৰ্গা-দ'লৰপৰা এশ গজমান আঁতৰত এজোপা বিৰাট বৰগছ আছিল। সেই বৰগছৰ তল পায়েই বীৰবিকট তাৰ বাহন ভল্লুক ভুল্লাভুৰ পিঠিৰপৰা নামিল আৰু ভয়ৰ কোবত কঁপি থকা ভুল্লাভুক কঠোৰ কণ্ঠেৰে কৈ উঠিল, "এই, তই এইখিনিতে ৰৈ থাক। ক'লৈকো গৈছ যদি মৰিছ জানিবি।" এই বুলি কৈয়েই বাগিয়াৰা বাসিয়াৰবীৰবিকট দুৰ্গা-দ'লৰ পিনে গৈ থাকিল।

মন্দিৰৰ দুৱাৰ-মুখতে ৰৈ থকা কোনোবা এজননক বীৰবিকটে ক'লে, "ইয়ালৈ অহাত মোৰ সামান্য দেৰি হ'ল, তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। মই আকৌ বুঢ়ী—যাদুকৰীৰ ওচৰলৈ গৈছিলোঁ। বুঢ়ীৰ যাদুকৰীয়ে—তোমাৰ কাৰণে তাৱিজ এটা দিলে। এই তাৱিজটো পিন্ধিলেই তোমাৰ সকলো বিধৰ ভয়-ভীত গুচিব আৰু কোনো ধৰণৰ বিপদেও তোমাৰ কাষ নাচাপিব।"

এই মানুহজন আন কোনো নাছিল,

আছিল স্বয়ং রুদ্রপুৰীৰ মহামন্ত্ৰী। মহামন্ত্ৰীয়ে তান্ত্ৰিক বীৰবিকটক ক'লে, "মই তোমাৰ ওচৰত অতি কৃতজ্ঞ। তোমাৰ এই উপকাৰ মই মোৰ এই জীৱনতো নাপাহৰোঁ।"

মহামন্ত্ৰীয়ে-বীৰবিকটক নমস্কাৰ কৰিলে।

বীৰবিকটে যাদুকৰী-প্ৰদত্ত তাৰিজটো মহামন্ত্ৰীৰ বাঁওহাতৰ মণিবন্ধত বান্ধি দিলে। এই তাৰিজৰ প্ৰভাৱত বীৰবিকটৰ ইচ্ছাতহে মহামন্ত্ৰীয়ে কাম কৰিব লাগিব।

বীৰবিকটে তাৰ দীঘল দাড়িকোচাত হাত ফুৰাই ফুৰাই মহামন্ত্ৰীক ক'লে, "জন্মদিনত ৰাজকুঁৱৰীয়ে দুৰ্গাদেৱীৰ দৰ্শনলৈ অহাৰ বন্দৱস্ত কৰা হৈছেনে?"

"হৈছে। সূৰ্য্যাস্তৰ এঘণ্টা পাছত দুৰ্গা-দৰ্শন শুভ—এই কথা কোৱা হৈছে।" মহামন্ত্ৰীয়ে ক'লে।

"তেনেহ'লে—আমাৰ কাম তথা মনৰ বাঞ্ছা পূৰ হওঁতে মাত্ৰ এমাহলৈ বাট চাব লাগিব। নহয়নে?" বীৰবিকটে সুধিলে।

"হয়, বন্ধু। মই মন্দিৰৰ, দুৱাৰ খোলাৰ বাবে চাবি লৈ আহিছোঁ। ৰাজপৰিয়ালৰ কোনোবা অকস্মাৎ বিপদত পৰিলে মন্দিৰৰ ভিতৰত থকা সুড়ংগ-পথেৰে নিৰাপদ ঠাইলৈ যোৱাৰ গুপ্তপথ আমি ভালকৈ চাই আহোঁগৈ ব'লা।"

মহামন্ত্ৰীয়েতান্ত্ৰিকক ক'লে।

মহামন্ত্ৰীয়ে মন্দিৰৰ দুৱাৰ খুলি, মন্দিৰৰ গৰ্ভগৃহলৈ গৈ দুৰ্গা-প্ৰতিমাৰ পিছফালে থকা ৰাক্ষসমূৰ্তিৰ মুণ্ডটো গুচাই সুড়ংগৰ ভিতৰলৈ সোমালগৈ। মহামন্ত্ৰীৰ পিছে পিছে বীৰবিকটো সোমাল। আৰু—

আৰু সোমাই পৰিল অদৃশ্য অপূৰ্ব।

কিন্তু সোমোৱাৰ লগে লগেই সুড়ংগৰ প্ৰৱেশদ্বাৰ আপোনা-আপুনিয়েই বন্ধ হৈ গ'ল। অপূৰ্বই বুজি পালে যে—সুড়ংগৰ দুৱাৰমুখ বন্ধক কৰাৰ বন্দৱস্ত সুড়ংগৰ ভিতৰতে আছে।



প্ৰায় আধাঘণ্টামানৰ অন্তত মহামন্ত্ৰী আৰু মহাতান্ত্ৰিক বীৰবিকট সুড়ংগ-দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল, অদৃশ্য অপূৰ্বয়ো ওলাই আহি মন্দিৰৰ স্তম্ভ এটাৰ পিছ ফালে থিয় হৈ থাকিল।

মহামন্ত্ৰীয়ে মন্দিৰৰ প্ৰবেশদ্বাৰ বন্ধ কৰি তান্ত্ৰিকক ক'লে, "এতিয়া বুজিছা নহয়—বন্ধু? মই ৰাজকুঁৱৰীক সুড়ংগৰ ভিতৰলৈ ঠেলা মাৰি সুমুৱাই দিম, আৰু মই তোমাক দেখুৱাই দিয়া মতে সুড়ংগৰ দুৱাৰমুখ ভিতৰৰেপৰাই বন্ধ কৰি দিবা। তাৰ পাছত ৰাজকুঁৱৰীক সুড়ংগৰ সিমূৰত থকা অটব্য অৰণ্যৰ মাজত উলিয়াই আনি তোমাৰ অনুচৰবিলাকৰ হাতত গটাই দিবা, আৰু তাৰ পাছত নিঃচিন্ত মনেৰে বুঢ়ী যাদুকৰীৰ ওচৰলৈ ৰাজকুঁৱৰীক লৈ যাবা—হৈ যাব পূৰ তোমাৰ মনস্ক!"

"মোৰ অনুচৰ নাথাকে তাত, স্বয়ং বুঢ়ী যাদুকৰীয়েই ৰাজকুঁৱৰীৰ বাবে ৰৈ থাকিব আৰু ৰাজকুঁৱৰীক হাতৰ মুঠিত পোৱা মাত্ৰেই বিৰাট শগুনৰ পিঠিত বহুৱাই উৰুৱাই লৈ যাবগৈ।" তান্ত্ৰিক বীৰবিকটে মহামন্ত্ৰীক ক'লে।

"চা—ব্বাইচ! তেনেহ'লে তো কথাই নাই। সকলো কথা-কাণ্ড অতি কম সময়তে ফতেহ্ হৈ যাব লাগিব, কিয়নো—জন্মদিনৰ উছৱত যিমানেই উখল-মাখল নহওক—ৰাজকুঁৱৰী নেদেখা হোৱামাত্ৰেই হৈ-চৈ লাগি পৰিব। এই কথাত সাৱধান হৈ থাকিবা।" মহামন্ত্ৰীয়ে বীৰবিকটক বুজাই ক'লে।

"হওক।—ৰাজকুঁৱৰী মন্দিৰৰ সুড়ংগৰ ভিতৰত থকা বুলি কোনেনো গমিব? এই সুড়ংগপথৰ কথা তোমাৰ বাহিৰে আন কোনে কেনে জানে?"

বীৰবিকটৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজে, মহাৰাণীয়ে, মন্দিৰৰ পূজাৰীয়ে, সেনাপতিয়েও জানে। আন কোনেও নাজানে।"


RAZI



"পূজাৰীটোক আমাৰ দলত ল'ব পৰাহেঁতেন—বৰ ভাল হ'লহেঁতেন। কিন্তু সি বেটাই যদি মহাৰাজক্ কেনেবাকৈ আমাৰ এই গুপুত আঁচনিৰ কথা কৈ দিয়ে— ?"

বীৰবিকটৰ এই সন্দেহৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "ওঁ, ওঁ—জানিলে যে নক'ব তাৰ মানে নাই। আমিনো কি কৰিব পাৰিম ?"

"এটা কাম কৰিব পৰা যায় অৱশ্যে—। সন্ধিয়া ৰাজকুঁৱৰী মন্দিৰলৈ অহাৰ আগতেই পূজাৰীবেটাক সিপাৰ পোওৱাৰ বন্দৰস্ত কৰিব পৰা যায়। তাৰ পাছত—ময়েই পূজাৰীৰ ভেশ লৈ ৰাজকুঁৱৰীক মন্দিৰলৈ লৈ যাম আৰু দেৱীমূৰ্তিক প্ৰদক্ষিণ কৰাৰ ছলতে ছেগ বুজি সুড়ংগৰ ভিতৰলৈ ঠেলি পেলাম।" বীৰবিকটে এটা ৰিকট হাঁহি মাৰি ক'লে।

"তোমাৰ আঁচনি—হওঁতে বেয়া নহয়, তথাপি কওঁ, এই কামৰ বাবে পূজাৰীক খতম কৰাৰ কিবা আৱশ্যকতা আছেনে ? অন্য উপায় যদি আছে, এই উপায় বৰ্জন কৰা ভাল। পূজাৰী মানুহজন অতি ভাল আৰু ভদ্ৰ।" মহামন্ত্ৰীয়ে ক'লে।

তান্ত্ৰিক বীৰবিকট হাঁহি উঠিল। হাঁহি হাঁহি ক'লে, "এই বুদ্ধিৰেহে তুমি এখন ৰাজ্যৰ মহামন্ত্ৰীগিৰি কৰিছানে ? দুনীয়াৰ য'ত যি যিমান আলৈ-আহুকাল হৈছে—এই ভাল আৰু ভদ্ৰবিলাকক লৈহে হৈছে যে—সেই লাখ কথাৰ এক কথাটোও নাজানানে ? এই বুদ্ধিৰে কেনেকৈনো তেন্তে বিশ্ব-সম্ৰাটৰ চাকৰিটোৰ চকৰি ঘূৰাবা ? অতি সাধাৰণ কথা এষাৰ আছে—ভাল আজ্ঞাক ভাতে নাটে। এই ভালেই পাছত ভালুকৰ সাতী হ'বগৈ। গতিকে—মনৰপৰা এনেবোৰ কুচিন্তা গুচাই বুদ্ধিমান মানুহৰ দৰে আচৰণ কৰা। কথাতে বোলে—ভাল বোলোঁতে ভলি, পাছত হ'ব কলি—

এইকথাকে সাৰ কথা জানিবা। তুমি যে আচলতে ইমান কাপুৰুষ—এটা ডৰপুকৰো ডৰপুক— আগে জনাহেঁতেন তোমাৰ সলনি কিজানি আন কাৰোবাক সম্ৰাট বা তেনেকুৱা কিবা এটা পাতিলোহেঁতেন। তোমাৰ হাল-চাল চাই মই বাস্তৱিকতে অতি চিন্তাত পৰিছোঁ যে—ইমান বিশাল সাম্ৰাজ্যৰ অধিপতি তুমি হ'বা কেনেকৈ, কেনেকৈ তুমি শাসনকাৰ্য্য কৰিবা এই মগজুৰে। সেই চন্দ্ৰকান্তমণিয়ে তোমাক বিশ্বসম্ৰাট কৰিব অথচ তুমি হ'লা এটা থৰহৰি লগা—, আ—চ্ছা, হৈ যাব বাৰু। ন চিন্ততে। তোমাৰ ইচ্ছা অনুসাৰেই কৰা হ'ব কাম। আমাৰ উদ্দেশ্য পূৰাপূৰি সিদ্ধ নোহোৱালৈকে পূজাৰী-বেটাক কোনোবা গুপ্তঠাইত ভৰাই থৈ দিম, তাক বাৰু ৰেহাই দিম, কথা দিলোঁ, ঠিক আছে, এতিয়া তেন্তে যাওঁ মই।"

এই বুলি কৈ বীৰবিকট সেই বিৰাট বৰগছজোপালৈ আগ বাঢ়িল।

আৰু—ধূৰ্ত-শিৰোমণি তান্ত্ৰিক বীৰ-বিকটৰ উপদেশৰপৰা ৰেহাই পাই মহামন্ত্ৰীও তৎক্ষণাৎ ৰাজধানীমুৱা হ'ল।

ইমান দেৰি স্তম্ভ এটাৰ পিছ ফালে থিয় হৈ অপূৰ্বই এই বদমাছৰো বদমাছ বাগিয়াৰ দুটাৰ মাজত হোৱা কথাখিনি মন দি শুনি আছিল। এতিয়া, যেতিয়া বীৰবিকট এফালে আৰু মহামন্ত্ৰী অন্য-ফাললৈ খোজ ল'লে। তেতিয়া অপূৰ্ব এই কথা ভাবি দোধোৰ-মোৰত পৰিল যে কাৰ পিছ ল'ব এতিয়া। অপূৰ্বই ভাবিলে: বদমাছ বাগিয়াৰ দুটাই কৰা ষড়যন্ত্ৰৰ কথা মহাৰাজ বিশ্ববৰ্মাক ক'ব পাৰিলেহে ভাল হ'ব। কিন্তু — কিন্তু মহাৰাজকনো অচিনাকি অপূৰ্বই লগ ধৰিব তাৰ কি পৰিচয়েৰে?

অপূৰ্বই এই জটিল-গুৰুত্বপূৰ্ণ কথাষাৰ খৰকৈ চিন্তি থাকিল। [চলি থাকিব



সৰব-ন

শিৱৰাম আছিল সাধাৰণ এজন কৃষক। এক দুৰ্ঘটনাত পৰি শিৱৰামৰ পো আৰু বোৱাৰী— দুয়ো প্ৰাণ হেৰুৱাইছিল। তেতিয়া নাতিল'ৰা দুটাক শিৱৰামেই তুলি-তালি ডাঙৰ-দীঘল কৰি থাকিল। শিৱৰামৰ কেৱল ঘৰটোহে আছিল, সা-সম্পত্তি বোলা আন একোৱেই নাছিল। দিন বাগৰাৰ লগে লগে শিৱৰাম বুঢ়াও হ'ল আৰু নাতিল'ৰা দুটাৰ কাৰণে চিন্তাও বাঢ়িল। নাতিল'ৰা দুটাই ডাঙৰ হৈ কোনো কাম-বনত ধৰা নাছিল, চুড়াৰ ফোঁপত হাত সুমাই থকা সিহঁতৰ ডেকাকাল টাং গুটি খাই ফুৰোঁতেহে পাৰ হৈছিল।

এনেতে এদিন শিৱৰামৰ সৰুকালৰ বন্ধু ৰামনাথ শিৱৰামক চাবলৈ আহিল, আৰু শিৱৰামে ৰামনাথক নাতিল'ৰা দুটাৰ কথা খোলোচাকৈ ক'লে।

ৰামনাথে শিৱৰামৰ নাতিল'ৰা দুজনক মাতিলে আৰু সিহঁত অহাৰ পাছত সিহঁতক ক'লে, "শুনা, মই তোমালোক দুয়োজনক এটা কথা সুধিম। খুব ভালকৈ ভাবি-গুনি উত্তৰ দিবা। যিজনে সঠিককৈ উত্তৰ দিব পাৰিবা, তাক মই দহ টকা পুৰস্কাৰ দিম।"

সিহঁতে মূৰ কাতি কৰি দিয়াত ৰামনাথে সিহঁতক সুধিলে, "ধৰা—স্বয়ং ভগৱান তোমালোকৰ ওচৰলৈ আহিল আৰু তেওঁৰপৰা বৰ খুজিবলৈ ক'লে। তোমালোকে তোমালোকৰ পক্ষে লাভদায়ক হোৱা বিধৰ কি বৰ খুজিবা ভগৱানৰপৰা ?"

বহু পৰলৈকে ভবা-গুনাৰ অন্তত ডাঙৰজনে ক'লে, "মোৰ যাতে খোৱা-পিন্ধাৰ অভাৱ নহয়, তাৰ বাবে ভগৱানৰপৰা খেতিমাটিকে খুজিম।"

সৰুৱে ক'লে, "মই খুজিম যেতিয়াই-তেতিয়াই য'তে-ত'তে যেই-সেই বস্তু খোজামাত্ৰেই পাইথকা মন্ত্ৰঃপূত আঙঠি।

ৰামনাথে সৰুক ৰংমনে টকা দহটা দি শিৱৰামক ক'লে, "তুমি তোমাৰ মাটি-বাৰী যি য'ত আছে ডাঙৰক দিয়া। সি এইখন গাঁৱতে খেতি-বাতি কৰি বৰ্তি থাকিব পাৰিব। সৰুটোৰ চিন্তা তুমি এৰি দিয়া। সি উপস্থিতবুদ্ধি থকা ল'ৰা। মই তাক মোৰ লগত লৈ যাম, আৰু তাক সৰব-ন কৰি পুনৰ থৈ যাম।"

শিৱৰামে বন্ধু ৰামনাথৰ কথাৰ তাৎপৰ্য্য বুজি পাই ৰামনাথৰ কথা মানি ল'লে।

আত্মমৰ্য্যাদা

অটল প্ৰতিজ্ঞাৱদ্ধ ৰজা বিক্ৰমাদিত্যই মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ আউসীৰ নিকপক গীয়া এন্ধাৰৰ বুকু ফালি ফালি শ্মশানলৈ বুলি গৈ থাকোঁতে বেতালৰ কণ্ঠস্বৰ শুনা গ'ল :

"হে ৰাজন্, তুমি হয়তো কাৰোবাৰ ওচৰত বচনৱদ্ধ হৈ যুগ যুগ ধৰি এনে অপাৰ পৰিশ্ৰম কৰিছা। কিন্তু কাৰোবাৰ বচনবদ্ধতায়ো কেতিয়াবা আওবাট ল'ব পাৰে আৰু তাৰ ফলত হতাশাৰ সৃষ্টি হ'ব পাৰে। এগৰাকী বচনৱদ্ধ ৰজাই এক উপজাতীয় ভীল যুৱাৰ ওচৰত কেনেকৈ পৰ্য্যুদস্ত হৈছিল আৰু তাৰ ফলত অপাৰ হতাশাৰ সৃষ্টি হৈছিল, সেই কাহিনী শুনি শুনি গৈ থাকিলে যথাকৰ্তব্য স্থিৰ কৰাত চিন্তাৰ সমল পাবা।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

মহাৰাজ পদ্মাক্ষ আছিল সুবৈশালী ৰাজ্যৰ প্ৰজাপালক। তেওঁৰ সুশাসনৰ ফলত সুবৈশালীৰ প্ৰজাবৰ্গ সুখে-শান্তিৰেই কালাতিপাত কৰিছিল, কিন্তু সম্থহতে সেই সুখ-শান্তি এটা অতি হিংস্ৰ জন্তুৰ অত্যাচাৰেৰে নোহোৱা হৈছিল। সেই হিংস্ৰ জন্তুটোক আজিলৈকে কোনেও চকুৰে দেখা নাই। যিবিলাকে দেখিছিল—সেইবিলাকক জন্তুটোৱে মাৰি খাইছিল। মহাৰাজে বহু ধৰণে চেষ্টা কৰিও এই ভয়ংকৰ হিংস্ৰ জন্তুটোক বধ কৰিব বা বধ কৰাব নোৱাৰি অত্যন্ত দুশ্চিন্তিত হৈ পৰিল। কিয়নো—কেৱল সাধাৰণ প্ৰজাবৰ্গকে নহয়, ভয়াবহ নেদেখা জন্তুটোৱে ৰজাৰ চিপাহীবোৰকো এই এই ভয়ংকৰ হিংস্ৰ জন্তুটোৱে ধৰি ধৰি খাই পেলাইছিল।

এই ক্ৰুৰ জন্তুটোৰ গৰাহৰপৰা ৰাজ্যৰ প্ৰজাবৰ্গক ৰক্ষা কৰাটো আছিল ৰজাৰ অৱশ্যকৰ্তব্য। কিন্তু ৰজা উপায়হীন, সহস্ৰ চেষ্টাতো জন্তুটোক বধ কৰা দূৰৰে কথা, এই জন্তুটো কি জন্তু—তাৰ বিৱৰণো নাপালে। কিয়নো—জন্তুটোক চকুৰে দেখা কোনো এজনো আজিপধ্যে ৰজাক জন্তুটোৰ আকাৰ-প্ৰকাৰৰ বিৱৰণ দিবলৈ জন্তুটোৰ গৰাহৰপৰা জীয়াই জীয়াই উভতি আহিব নোৱাৰিলে।

তেতিয়া নিৰুপায় মহাৰাজ পদ্মাক্ষই এই বিষয়ে তেওঁৰ মহামন্ত্ৰী আৰু ৰাজকুঁৱৰী বিৱেকৱতীৰ সৈতে পৰামৰ্শৰ অন্তত ৰজাই ঘোষণা কৰিলে যে—এই ভয়ানক জন্তুটোক যিজনে বধিব পাৰিব, সেইজনে সুবৈশালী ৰাজ্যৰ অৰ্ধাংশ তো পাবই, এৰো উপৰি ৰাজকুঁৱৰীকো সেইজনৰ সৈতে যোৰা পাতি দিয়া হ'ব।

এই ঘোষণা প্ৰচাৰিত হোৱাৰ পাছৰপৰা বিভিন্ন ৰাজ্যৰপৰা বহুসংখ্যক যুৱক আহিল জন্তুটোক বধিবলৈ; কিন্তু প্ৰতিজনকে জন্তুটোৱেই খাই পেলালে।

এই যুৱকসকলৰ মাজত কেইজনমান ৰাজকোঁৱৰো আছিল।

এনে অৱস্থাত—সুবৈশালী ৰাজ্যৰ অটব্য অৰণ্যত বসবাসকাৰী উপজাতীয় সম্প্ৰদায়ৰ এজন ভীল যুৱকে প্ৰায় পোন্ধৰ দিন ধৰি ৰাতিৰ পৰতে ওখ গছৰ ডালত বহি এই ভয়ংকৰ জন্তুটোৰ অহা-যোৱালৈ লক্ষ্য কৰি থাকিল। উপজাতীয় ভীল সম্প্ৰদায়ৰ এই যুৱকৰ নাম আছিল বীৰাহো। পোন্ধৰ দিনৰ অন্তত—এদিন জোনাক নিশা তাৰ এই প্ৰচেষ্টা সফল হ'ল। সি গছৰ ডালত বহি দেখা পালে যে—অনতিদূৰতে থকা নিজৰাৰ ওচৰৰ এটা গুহাৰপৰা জন্তুটোৱে চাৰিওফালে চাই চাই ওলা'ব ধৰিছে।

এনেহেন বীভৎস জন্তু এটা বীৰাহোই আগে কেতিয়াও ক'তো দেখা নাছিল। এই জন্তুটোৰ মুখ আছিল সিংহৰ দৰে, আৰু দেহ বাঘৰ দৰে দাগ থকা। তাৰ গৰ্জন আছিল অতি ভয়ংকৰ। জন্তুটোক দেখা পাই ভয়-ডৰ নথকা ভীল যুৱক বীৰাহোও কঁপি উঠিল।

বীৰাহোই ভাবি থাকিল যে ইয়াক যাঠিৰেনে কাঁড়েৰে আক্ৰমণ কৰিব। ভাবোঁতে ভাবোঁতেই জন্তুটোৱে গছৰ ডালত বহি থকা বীৰাহোক দেখা পাই বলিয়াহেন হৈ গৰ্জি থাকিল আৰু সেই গছজোপাৰ তললৈ তীব্ৰ গতিৰে আহি



গছৰ ওপৰলৈ বগাই উঠি থাকিল। তেতিয়া বীৰাহোৱাই জন্তুটোৰ মুখৰ ভিতৰলৈ যাঠি দলিয়াই মাৰিলে, আৰু যাঠিপাট জন্তুটোৰ গলৰ ভিতৰত বিদ্ধ হ'ল। আহত জন্তুটোৱে ভয়ংকৰ আৰ্তনাদ কৰি গছৰপৰা জাঁপ মাৰি তললৈ পৰিয়েই বিজুলীগতিৰে সেই নিজৰাৰ কাষত থকা গুহাটোলৈ গৈ থাকিল, আৰু তিমানতে বীৰাহোৱাে গছৰপৰা নামি পিছ খেদি গৈ গৈ জন্তুটোলৈ টোঁৱাই জাউৰিয়ে জাউৰিয়ে কাঁড় এৰি থাকিল।

ৰাতি পুৱাল। জন্তুটোক বীৰাহোৱাই বধ কৰাৰ খবৰ অহুকাণে-পহুকাণে পাই উপজাতীয় হাবিয়াল সম্প্ৰদায়ৰ ল'ৰা বুঢ়া ডেকা-ডেকেৰীহঁত লৰৰি আহিল সেই জন্তুটোক চাবলৈ। মৰা চায়ো ভয়ত বহুতৰে গাৰ নোম ডাল ডাল হৈ উঠিল।

খবৰটো মহাৰাজ পদ্মাক্ষয়ো পালে আৰু তেওঁ তেওঁৰ চোৰাংচোৱাহঁতৰ মুখে খাটাং খবৰ পাই স্বস্তিৰ উশাহ এৰিলে।

কিন্তু পাছ মুহূৰ্ততে এই কথা ভাবি তেওঁৰ মন অস্বস্তিৰে ভৰি পৰিল যে এতিয়া তেওঁ তেওঁৰ বচনবদ্ধতাক অৰ্থাৎ তেওঁৰ সেই ঘোষণাক কাৰ্য্যকাৰী কৰিবলৈ হ'লে এটা জংলী ভীল যুৱকক আধা ৰাজত্ব দিব লাগিব, আৰু তাতোকৈ ডাঙৰ কথা হ'ল যে—এটা ভীল যুৱকৰ সৈতে ৰাজকুঁৱৰীকো বিয়া দিব লাগিব! ৰজাই ভাবিছিল যে—নিশ্চয় কোনোবা ৰাজ্যৰ ৰাজকোঁৱৰেহে জন্তুটোক বধিব, আৰু তেওঁ ৰংমনেই সেই ৰাজকোঁৱৰক— লাগিলে সৰ্বস্বও দি-ও জোঁৱাই কৰি ল'ব।

অৱশেষত মহামন্ত্ৰী আৰু তেওঁৰ জীয়েকৰ সৈতে—অৰ্থাৎ ৰাজকুঁৱৰীৰ সৈতে পুনৰ পৰামৰ্শ কৰাত বহিল মহাৰাজে। ভীল যুৱক এটাক ৰাজকুঁৱাৰীৰ দিবলৈ হ'ল যে ৰাজবংশত চেকা পৰিব—এই কথাত তিনিও একমত হ'লে।

ৰাজকুঁৱৰী বিবেকৱতীয়ে ক'লে,

দেউতা, আপুনি সেই ভীল যুৱক কওক যে—কেৱল আধাৰাজ্য লৈয়েই সি তুষ্ট থাকক। এটা অসভ্য জংলীক মই বিয়া কৰাব নোৱাৰিম।"

ৰাজকুঁৱৰীৰ কথাত মহাৰাজ আৰু মহামন্ত্ৰীও সহমত হ'ল।

মহাৰাজ পদ্মাক্ষৰ আদেশ অনুসাৰে ভীল যুৱক বীৰাহোক মতাই অনোৱা হ'ল। বীৰাহোৰ থকা-মেলাৰ বাবে ৰজাই ৰাজপ্ৰাসাদতে অতি উত্তম বন্দবস্ত কৰিলে আৰু তাৰ পাছত মহাৰাজ, মহামন্ত্ৰী আৰু ৰাজকুঁৱৰী বিবেকৱতীয়েও বীৰাহোক মহাৰাজৰ ঘোষণা পূৰ্ণৰূপে কাৰ্য্যকৰী কৰাৰ অসুবিধাৰ কথাটো বুজাই ক'লে।

সকলোখিনি ধৈৰ্য্য ধৰি শুনাৰ অন্তত বীৰাহোই মিচিকীয়াই হাঁহিলে আৰু ক'লে, "মহাৰাজ! কেৱল ৰাজকুঁৱৰীক নহয়, মোক আধা ৰাজ্যও নালাগে। কিয়নো, মই পুৰস্কাৰৰ লোভত নহয়, এই ৰাজ্যৰ একনিষ্ঠ নাগৰিক এজন হোৱা হেতুকে নিজৰ কৰ্তব্য পালনৰ বাবে নিজেই জন্তুটোক বধিছিলোঁ। ৰাজ্যৰ কেৱল অন্যান্যৰেই নহয়, এই বিচিত্ৰ জন্তুটোৰ কাৰণে আমাৰ সম্প্ৰদায়ৰ মানুহৰ মনতো বিৰাট ভয় সোমাইছিল। যি কি নহওক—মই যে নিজেই ৰাজকীয় পুৰস্কাৰ প্ৰত্যাখ্যান কৰিছোঁ—সকলোটিৰ আগত নিজেই ক'ম।

এই কথাখিনি কৈয়েই বীৰাহোই ৰাজপ্ৰাসাদ এৰি তৎক্ষণাৎ গুচি গ'ল।

ইমান সহজভাৱে এক দুৰূহ কাৰ্য্যত সফল হোৱাত মহাৰাজ আৰু মহামন্ত্ৰী অত্যন্ত আনন্দিত হ'ল। কিন্তু হঠাৎ ৰাজকুঁৱৰী বিবেকৱতীয়ে ভীল যুৱা বীৰাহোক পুনৰ মাতি আনিবলৈ কোৱাত মহাৰাজ-মহামন্ত্ৰী অবাক হৈ পৰিল।

ৰাজকুঁৱৰীয়ে মহাৰাজক ক'লে, "দেউতা, আপুনি এই ভীল যুৱকক অৰ্ধৰাজ্য দিলেনে নিদিলে—তাৰ বাবে

মোৰ চিন্তা নাই। কিন্তু মই বীৰাহোকে বিবাহ কৰাম বুলি স্থিৰ কৰিছোঁ। আপুনি মোক অনুমতি প্ৰদান কৰক।"

শুনি মহাৰাজ-মহামন্ত্ৰী হতবাক।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা! বচনৰদ্ধ মহাৰাজে বংশমৰ্য্যাদা ৰক্ষাৰ বাবে সুকৌশলে বীৰাহোক মাস্তি কৰাই যি স্বস্তি লভিছিল, সেই স্বস্তি ৰাজকুঁৱৰীয়ে কিয় এনেকৈ বিনষ্ট কৰিলে? আৰু—এটা জংলী অসভ্য যুৱক বীৰাহোক ৰাজকুঁৱৰীয়ে কিয়-হঠাৎ বিবাহ কৰাব বুলি ক'লে? —মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তেনে'হলে তোমাক মূৰ ফাটি চাৰিফাল হোৱাৰপৰা কোনেও তোমাক ৰক্ষা কৰিব নোৱাৰিব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "যিজন ৰজাই তেওঁৰ বচন-ৰদ্ধতাৰপৰা আত্মস্বাৰ্থৰ কাৰণে আঁতৰি আছে, সেই ৰজাৰ বিবেচনা তথা বুদ্ধিৰ ওপৰত আস্থা প্ৰদৰ্শন কৰা টান। যদিও নিজৰ পিতৃ, তথাপি ৰাজকুঁৱৰী বিবেক-ৰতীৰ মনতো মহাৰাজৰ এই স্বাৰ্থপৰতাৰ কদৰ্য্যতাই বীভৎস ৰূপে মূৰ দাঙিছিল। আনহাতে—সৰল উপজাতীয় ভীল যুৱকৰ সততা, আত্মমৰ্য্যাদাবোধ, উপস্থিত বুদ্ধি আৰু নিৰ্লোভ মনোভাৱে ৰাজকুঁৱৰীক মুগ্ধ কৰিছিল। সেইহে — ৰাজকুঁৱৰীয়ে তেনেকুৱা আশ্চৰ্য্যজনক সিদ্ধান্ত সহজভাৱেই গ্ৰহণ কৰিছিল। ৰাজকুঁৱৰী বিবেকৰতী নিজেও আছিল আত্মমৰ্য্যাদা সম্পন্ন। তাৰ কাৰণেই ভীল যুৱকৰ আত্মমৰ্য্যাদাবোধলৈ সন্মান জ্ঞাপন কৰি ৰাজকুঁৱৰী বিবেকৰতীয়ে তেনেকুৱা সিদ্ধান্ত লছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[ৰেৱতীৰ ৰচনাৰ সমল লৈ]

হোৱা

বহুকালৰ আগৰ কথা। তেতিয়াৰ কালত বিক্রমপুৰী ৰাজ্যত ৰজা ধীৰসিংদেৱে ৰাজত্ব কৰিছিল। এদিন ৰাজ-উদ্যানত অন্য কিছুমান উচ্চপদস্থ ৰাজ-কর্মচাৰীৰে সৈতে বহি মহাৰাজে বিভিন্ন বিষয়ত কথা পাতি আছিল। হঠাৎ মহাৰাজে আকাশলৈ মূৰ দাঙি চালে আৰু আকাশ-নিৰীক্ষণ কৰি ক'লে, "চাওকছোন—চাওক কি দৃশ্য! আকাশত বহু উৰ্ধত এখন বিমান যেন কিবা গৈ আছে। ইমান ওপৰেদি গৈ আছে যে—চকুৰে মনিবপৰাটোও ভাগ্যৰ কথা। এই বিমানত নিশ্চয় কিছুসংখ্যক দেৱতা বা গন্ধৰ্বহে গৈ আছে।"

তেতিয়া চন্দ্ৰকেতু নামত কৰ্মচাৰী এজনেও মূৰ দাঙি আকাশলৈ চাই কৈ উঠিল, "ওঃ! কি'যে অদ্ভুত! মহাৰাজ! পৰম আশ্চৰ্য্যজনক কথা! আপোনাৰ দৃষ্টি ইমান যে পৰিষ্কাৰ! এই বিমানেই যে পুষ্পক ৰথ তাত কোনো সন্দেহ নাই। আৰু এই পুষ্পক ৰথত দেৱতা বা গন্ধৰ্বৰ বাহিৰে আৰুনো থাকিব কোন?"

সূৰ্য্যবাহু নামৰ আন এজন ৰাজকৰ্মচাৰীয়েও ক'লে, "মহাৰাজ! চন্দ্ৰকেতুৰ কথা কথাৰ কথা নহয়, সঁচাৰো সঁচা।"

তাত তক্ষশিলা নগৰৰপৰা অধ্যয়ন সমাপ্ত কৰি অহা ৰাজপুৰোহিতপুত্ৰ পদ্মনেত্ৰও বৈ আছিল। পদ্মনেত্ৰৰ বাহিৰে তাত উপস্থিত থকা সকলো ৰাজকৰ্মচাৰীয়েই চন্দ্ৰকেতু-সূৰ্য্যবাহুৰ সৈতে হোৱা দিলে, ক'লে যে মহাৰাজ ভাগ্যৱান বুলিহে দেৱতাৰ ৰথ দেখা পালে, আৰু ভাগ্যশালী মহাৰাজৰ লগে লগে সিহঁতৰো ভাগ্য

প্ৰণব বৰগোহাঞি

ফুলিলে—ইত্যাদি।

কিন্তু পদ্মনেত্ৰই এই পানীৰ ঔ টেঙাবিধৰ কথাত একো মন্তব্য নকৰা দেখি মহাৰাজ ধীৰসিংহদেৱে সুধিলে, "হেৰা পদ্মনেত্ৰ, তুমিনো নিবোকা চামোনটো হৈ আছা কেলেই? তুমি সেই আচৰিত বিমানখন দেখা নাইনে?"

তেতিয়া পদ্মনেত্ৰই ক'লে, "মহাৰাজ, আকাশত দেখোন কোনো ধৰণৰ ৰথ বা বিমান একোৱেই দেখা নগৈছিল। এয়া আপোনাৰ ভ্ৰান্তি, দৃষ্টিবিভ্ৰম।"

মহাৰাজে ভুৰু কোঁচাই চালে।

পদ্মনেত্ৰই ক'লে, "মহাৰাজ! পুষ্পক বিমান বা ৰথ আকাশলৈ উৰাটো কবি-কলপনাহে মাথোন। আপোনাৰ নিচিনা মহাৰজাই এই সত্য নজনা বুলি মোৰ ধাৰণা নহয়। এই বিশ্বৰ কোনো ঘটনায়েই হেতু—তথা কাৰণ বিনে সংঘটিত নহয়। এইবোৰ-এনেবোৰ অলৌকিক দৃশ্য মানুহে দেখাৰ গুৰিত আছে মানুহৰ মনৰ দুৰ্বলতা, তথা আমাৰ দেহস্থ ৰুগ্নতা। কিন্তু আপোনাৰ দৃষ্টিবিভ্ৰম হোৱাৰ লগে লগে বাদবাকীবিলাকৰো দৃষ্টি বিভ্ৰম হ'ল বুলি মই মানি ল'ব নোৱাৰিছোঁ। এওঁলোকে তথাপি কিয় যে আপোনাৰ কথাত হোৱা দিলে,তাৰ হেতু আপুনি জানে,মহাৰাজ।"

তেতিয়া মহাৰাজ-ধীৰসিংহই অন্য-সকলোটিলৈ চাই মৃদুকৈ হাঁহি মাৰি নিৰহ নিৰহকৈ ক'লে, "পদ্মনেত্ৰৰ কথা আখৰে আখৰে সঁচা। ময়ো আকাশমাৰ্গত কোনো ৰথ-বিমান দেখা নাই। তোমালোকেও দেখা নাছিলা। কেৱল—মোক খোচামতি কৰি, চটুৱাই জোল খাবলৈহে যে মোৰ কথাত হোৱা দিছিলা — সেই কথা পৰিষ্কাৰ। তোমালোকৰ দৰে আনৰ চকুৰে বাট বুলি থকাইতক লৈ কেনেকৈনো মই সুকলমে ৰাজ্য শাসন কৰিম কেৱাচোন?"

এইবাৰ কোনেও হোৱা নিদিলে।



ভাৰতৰ পশু-পক্ষী:

বাঘ

এসময়ত 'ৰয়্যাল বেংগল টাইগাৰ' আছিল সমগ্ৰ পৃথিৱীৰ মাজত খ্যাতনামা বাঘ। এই বাঘ বংগদেশৰ তথা বৰ্তমান পশ্চিমবংগৰ 'সুন্দৰবন' অঞ্চলত যথেষ্ট সংখ্যাত পৰিলক্ষিত হয়। আগৰ দিনৰ চিকাৰপ্ৰিয় ৰজা-মহাৰজাৰ চিকাৰ-প্ৰিয়তাৰ বাবে, এসময়ত ৪০,০০০সংখ্যক বাঘ মাত্ৰ ২০০০ লৈহে জীয়াই আছিল! এয়া ১৯৭২ চনৰ কথা। তেতিয়াহে চিকাৰীৰ কবলৰপৰা ৰক্ষা কৰিবলৈ বাঘক ভাৰতৰ 'জাতীয় পশু' ৰূপে ঘোষণা কৰি সিহঁতক নিৰাপত্তা প্ৰদান কৰা হ'ল, আৰু ব্যাঘ্ৰ-বিস্তাৰ-প্ৰকল্প'ৰ যোগে ইহঁতৰ উৎপাদন বৃদ্ধিলৈ মনোযোগ দিয়া হ'ল। বৰ্তমানে—সমগ্ৰ ভাৰতত বাঘৰ সংখ্যা প্ৰায় ৪০০০ মান তকৈ কিছু অধিক।

বাঘ হ'ল বিড়াল-প্ৰজাতিৰ প্ৰাণী। বাঘে সদা-সৰ্বক্ষণেই ঘুৰা-ফুৰা কৰে আৰু অন্যান্য প্ৰাণীক ধৰি-মাৰি খায়। বাঘে পানীতো সাঁতুৰিব পাৰে, আৰু আন কোনো প্ৰাণীক নাপালে মাছ মাৰি খায়। মূৰৰপৰা নেগুৰলৈকে বাঘ দীঘলে ৮-৯ ফুট। বাঘ এটাৰ গড় ওজন ২০০ কে. জি.। আহত বাঘ অতি ভয়ংকৰ প্ৰাণী।



বেণুধৰ

সম্প্ৰতি মাদ্ৰাজ নগৰত অনুষ্ঠিত এক সংগীত-উৎসৱত বাৰ বছৰীয়া শশাংক নামৰ বালক এটিয়ে এক অদ্ভুত প্ৰণালীৰে বেণু (বাঁহী) বজাই শ্ৰোতা-ৰাইজক মুগ্ধ কৰিছিল। সাধাৰণতঃ সংগীত উৎসৱত সন্ধিয়া ৬ বজাৰ পৰা ৯ বজালৈকে প্ৰতিষ্ঠিত— প্ৰখ্যাত সংগীতবিদক গায়ন-বাদনৰ বাবে সময় দিয়া হয়। কিন্তু বাৰ বছৰীয়া এই বালকটিকো সেই একেই সময় দিয়া হৈছিল, আৰু সংগীতবিদ এই বালকেও উদ্যোক্তাসকলৰ তাৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰাৰ মৰ্য্যাদা ৰক্ষা কৰিছিল। সংগীতপ্ৰেমীসকলক, আৰু লগতে. সংগীত-সমালোচকসকলকো এই বেণুধৰ বালকে আনন্দ-সাগৰত উটুৱাইছিল।

শশাংক যেতিয়া প্ৰায় শিশু আছিল, তেতিয়াই সংগীতৰ প্ৰতি তাৰ যথেষ্ট আকৰ্ষণ থকা লক্ষ্য কৰা হৈছিল। শশাংকৰ দেউতাক আছিল বাঁহী-বাদক। তেওঁ যেতিয়া বাঁহীৰে কিবা ৰাগ বজাইছিল, তেতিয়া আন সকলো পাহৰি সেই শিশুটিয়ে বাঁহী-বাদন শুনিছিল। তিনি বছৰীয়াতে এই শিশুটিয়ে দহোটামান ৰাগ-ৰাগিণী স্পষ্টভাৱ চিনি পাইছিল। সংগীতৰ প্ৰতি পুত্ৰৰ ৰাপলৈ লক্ষ্য কৰি দেউতাকে তাক যথাযোগ্য ৰীতিৰে সংগীত শিক্ষা দিবলৈ প্ৰস্তুতি ল'লে। তেওঁ তাক বেহেলা শিকাবলৈ চেষ্টা কৰি থাকিল। কিন্তু বালক শশাংকই বেহেলা এৰি পুনৰ বাঁহীকে হাতত ল'লে। শশাংকই তাৰ দেউতাকৰ বাঁহী-বাদন যে যথেষ্ট মনোযোগেৰে আয়ত্ত কৰিছিল, সেই কথাত কাৰো কোনো সন্দেহ নাই।

শশাংকক সংগীতত অধিক পৈণত কৰি তুলিবলৈ বাংগালোৰত বসবাসকাৰী এই পৰিয়ালখনে বাংগালোৰ এৰি কৰ্ণাটকী সংগীতৰ প্ৰধান কেন্দ্ৰস্থল মাদ্ৰাজলৈ আহিল। বালক শশাংকৰ দেউতাকে কলেজত অধ্যাপনাৰ কাম এৰি আহিল, আৰু কেৱল এই বেণুধৰ বালকৰ আয়-উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰিয়েই জীৱিকা আৰু বাসস্থান পৰিত্যাগ কৰি এক অজান ভৱিষ্যতৰ পিনে খৰ সাহসৰে আগবাঢ়ি আহিল।

কথা অতি আচৰিতেই, এনেহেন সৰু বেণুধৰ ল'ৰা এটিৰ আয়-উপাৰ্জনৰ ওপৰত এখন পৰিয়াল কেনেকৈনো চলি থাকিব? এয়া বাস্তৱিকেই আচৰিত কথা।

শশাংকই তাৰ দহ বছৰ বয়সত পোন প্ৰথমে অষ্ট্ৰেলিয়াৰ এডিলেড চহৰত সংগীতানুষ্ঠান কৰিছিল। আৰু তাৰ পাছত ছিংগাপুৰ আৰু মালেছিয়াতো সংগীতানুষ্ঠান কৰিছিল। ১৯৯০ চনত বম্বেতো শশাংকৰ সংগীতানুষ্ঠান পতা হৈছিল।

শশাংক তীব্ৰভাৱে বিদ্যালয়-বিমুখ। কেতিয়াবা কেতিয়াবা সি তাৰ বাঁহীত হাততে নোলোৱা হয়। পৰিবৰ্তে সি তাৰ ভনীয়েকৰ লগত দিনে-নিশাই লুকাভাকু খেলি থকা হয়. গল্প শুনে, গল্প কয়। তেতিয়া তাক নানা ধৰণে বুজাব-বুজনি দিব লাগে, তাক বিভিন্নভাৱে তুষ্ট কৰিব লাগে।

আমি জানোনে ?

১. সংযুক্ত ৰাষ্ট্ৰসংঘৰ প্ৰথম মহাসচিব কোন আছিল ?

২. কোন দিনটোক 'কমনওৱেল্থ দিৱস' বুলি পালন কৰা হয় ?

৩. কোনখন কাৰাগাৰত থাকি জৱহৰলাল নেহৰুৱে 'ডিছকভাৰি অভ্ ইণ্ডিয়া' ৰচনা কৰিছিল।

৪. 'দি লেডি উয়িথ দি ল্যাম্প' নামেৰে খ্যাত মহিলা কোন ?

৫. পয়গম্বৰ মহম্মদৰ মাতৃৰ-পিতৃৰ নাম কি ?

৬. 'উড়ন্ত চকৰি' পোন প্ৰথমে কোনে দেখা পাইছিল ?

৭. যিশুক যেতিয়া শূলবিদ্ধ কৰা হৈছিল, তেতিয়া তেওঁ তেওঁৰ মাতৃ মেৰিক চোৱা-মেলা কৰাৰ বাবে শিষ্য এজনক কৈছিল। সেই শিষ্যজন কোন ?

৮. ওল্ড টেষ্টামেণ্টত নোৱাৰ পিতামহৰূপে কাক বৰ্ণোৱা হেছে ?

৯. জোনত-নমা সৰ্বপ্ৰথম মনুষ্য-নিৰ্মিত বস্তু কি আছিল ?

১০. মাও জে ডং-এ 'পিপ'লছ ৰিপাবলিক অভ্ চায়না' কেতিয়া প্ৰতিষ্ঠা কৰিছিল ?

১১. আটলাণ্টিছৰ ৰচনা কোনে পোন প্ৰথমে বৰ্ণনা কৰিছিল ?

১২. ৰাইট ভ্ৰাতৃদ্বয়ে পোন প্ৰথমতে কিহেৰে আকাশ-যাত্ৰা কৰিছিল ? তেওঁলোকৰ জীৱিকা কি আছিল ?

১৩. ইতালি দেশৰ এগৰাকী মহিলা চিকিৎসকে নিজৰ চিকিৎসাবৃত্তিৰ বাহিৰে অন্য বৃত্তিত খ্যাতি লাভ কৰিছিল। তেওঁ কোন ?

১৪. আমেৰিকাৰ কোনগৰাকী অভিনেত্ৰীৰ চিত্ৰ ডাকটিকেটত ছাপা হৈছিল ?

১৫. কোনখন দেশত ক্ৰিকেটক জাতীয় ক্ৰীড়া ৰূপে ঘোষণা কৰা হৈছিল ?

উত্তৰ

১. ড্যাগ হ্যামাৰস্কজোল্ড।

২. ২৪ মে'।

৩. আহমদনগৰ ফোৰ্ট।

৪. ফ্ল'ৰেন্স নাইটিংগ্‌ল্। এওঁ ক্ৰিমিয়াৰ যুদ্ধত (১৮৫৩-৫৬) আহতসকলৰ সেৱা কৰিছিল।

৫. আবদুল্লা আৰু আমীনা।

৬. ১৯৪৭ চন ২৪ জুনৰ দিনা, এজন বিমান-চালকে।

৭. জন্।

৮. মেথুছেলা, এওঁ ৯৬৯ বছৰলৈ জীয়াই আছিল বুলি বাইবেলত কোৱা হৈছে।

৯. চোভিয়েত ৰুশ্-প্ৰেৰিত লুনাখোদ—২, ১৯৫৯ চনৰ ১৩ ছেপটেম্বৰ।

১০. ১৯৪৯ চনৰ ২১ছেপটেমবাৰ। চোভিয়েতে পোন প্ৰথমে স্বীকৃতি দিছিল।

১১. গ্ৰিক দাৰ্শনিক প্লেটোই।

১২. ছাইকল্ (ছাইকেল) ফ্যাক্টৰি চলাইছিল।

১৩. মাৰিয়া মন্তেছৰি। মহিলা চিকিৎসকৰ নাম বিদ্যাক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিছিল।

১৪. গ্ৰেচ কেলি। 'দ্য কাণ্ট্ৰি গাৰ্ল'ত অস্কাৰ এওৱাৰ্ড প্ৰাপ্ত।

১৫. অষ্ট্ৰেলিয়াত।

সৰু ল'ৰাৰ ডাঙৰ চিত
ক'তনো লাগে ধন-বিত!

সম্প্ৰতি উত্তৰপ্ৰদেশৰ যি বিৰাট ভূঁইকঁপে জোকাৰি গ'ল, সেই ভূঁইকঁপ-পীড়িত মানুহৰ বাবে বিভিন্ন দেশৰ চৰকাৰে বুজন পৰিমাণৰ ধন-বিত পঠিয়াইছিল। এই ভূমিকম্পৰ দৃশ্যৰ টি. ভি.ত দেখা পাই চীন দেশৰ দহ বছৰীয়া ল'ৰা এটিয়ে ১০০ ইউৱান অৰ্থাৎ ভাৰতীয় ৬০০ টকা পঠালে। এই টকাখিনি ল'ৰাটিয়ে বেজিঙৰ ভাৰতীয় দূতাবাসত দিছিলহি। ল'ৰাটিয়ে চীনদেশৰ টি.ভি.ত অভিনয় কৰি যিখিনি ধন পাইছিল, তাৰপৰা আধাখিনি ভাৰতৰ উত্তৰ প্ৰদেশৰ ভূঁইকঁপত পৰাইতৰ বাবে, বাকী আধা চীনদেশৰ বান-পীড়িতসকলৰ বাবে দিছিল!

সম্বাদ-বি-সম্বাদ

নাৱেৰে প্ৰশান্ত-যাত্ৰা!

"এক এক মিনিটক এক এক ঘণ্টা যেন লাগিছিল, এক এক ঘণ্টাক একো একোটা দিন।" নাৱেৰে প্ৰশান্ত মহাসাগৰৰ বুকুৰেদি যাত্ৰাকাৰী ফ্ৰান্সৰ ৪১ বছৰীয়া জেৰাল্ড ডি অৰোবিয়ে কৈছিল।

৮ মিটাৰ দীঘল নাৱত উঠি, জাপানৰ পূৰ্ব-সমুদ্ৰৰপৰা ১১ জুলাইৰ দিনা যাত্ৰা কৰি ১৩৩ দিনত ১০,০০০ কিল'মিটাৰ পাৰ হৈ ২১ নভেমবাৰৰ দিনা আমেৰিকাৰ ওৰেগান, পোৰ্টল্যাণ্ডৰ ওচৰৰ ইলোৱা পাইছিলগৈ। শাৰীৰিকভাবে তেওঁ অতিপাত ভাগৰি পৰিছিল, যদিও তেওঁৰ চকু-মুখত আনন্দৰ অভাৱ নাছিল!

জোৱাৰ

শ্ৰীপুৰ নামৰ গাঁও এখনত গোবৰধন নামৰ এজন ধনৱান মানুহ আছিল। গোবৰধনৰ আছিল বিভিন্ন বেহা-ধেপাৰ, আৰু তাৰ কাৰণে কাম-বন কৰা মানুহো আছিল ভালেমান। গোবৰধনে তেওঁৰ কাম-কৰা মানুহবিলাকৰ দুখ-কষ্টৰ কথা ভুলতো নাভাবে. কেৱল কামহে আদায় কৰি লয়। গোবৰধনৰ হুকুমত কাম কৰা মানুহখিনিয়ে সিহঁতে কঢ়িয়াই নিব পৰা বোজাতকৈয়ো অধিক ওজনৰ বোজা কঢ়িয়াবলগীয়াত পৰে। কাম কৰি থকাৰ সময়ত আনকি পিয়াহত অণ্ঠ-কণ্ঠ শুকালেও পানী খাবলৈকো আজৰি নিদিয়ে। গোবৰধনৰ কথা হ'ল: চাকৰ-নাকৰৰনো আৰাম কি বিৰাম কি—? এই হাৰামীহঁতক চাওত তুলি ধোঁৱা দিব লাগিবনে কি? খাটিবলৈ জনম লৈছ — খাটি থাক্। সৰিয়হৰ জনম লৈ বেটেৰিৰ চেপালৈ ভয় কৰি থকাৰ লাভ কি? খাটিলেহে খাব-জীৱৰ লখ—নাখাটিলে পিটনৰ। এই বিলাকক পিটন দিলেহে সৰি হৈ থাকে—ইত্যাদি গোবৰধনৰ গোৰৱসাৰুৱা মত।

কাম-বন কৰা মানুহখিনিও নিৰুপায়। গোবৰক এৰি আন ঠাইত কাম কৰি জাবৰত পৰি যে লাভ নাই — জানে সিহঁতে। এনে নিমৰমিয়াল-নিষ্ঠুৰ আচৰণ সকলোতে কাম-বেছি আছেই। গতিকে সিহঁতে সকলো সহি থাকে।

গোবৰধনৰ এখন বাগী আছিল। যেতিয়া অ'লৈ ত'লৈ ওলায়, বাগীত উঠি ওলায়। বাগীৰ কচোৱান বীৰুৰ প্ৰতিও গোবৰধনৰ ব্যৱহাৰ একেই, নিকৰুণ-

সুধন্য কলিতা



নিমৰমিয়াল। বীৰু যথেষ্ট বুঢ়া হ'ল, কিন্তু তথাপি গোবৰধনৰ মন-মতি নটলিল।

এদিন গোবৰধন পা পৰিয়ালে বাগীত উঠি চহৰলৈ ৰাওণা হ'ল বিয়া খাবলৈ। ইটো-সিটো নানা তৰহৰ বস্তু-সামগ্ৰী বিৰাট পেৰা এটাত ভৰাই লৈছিল। ধলপুৰাতে ওলাই যেতিয়া অটব্য হাবিডৰা পালেগৈ, তেতিয়া থিয় দুপৰ।

এই হাবিৰ মাজেদি যাবই লাগিব, নহ'লে ক'বলৈ গ'লে বাটেই নাই। যিওবা আছে—দলং এখন ভগা। গতিকে হিংস্ৰ জন্তু-জানোৱাৰ থকা বুলি জানিও বাগীখন চলাই লৈ কচোৱান বীৰু বুঢ়া হাবিৰ মাজেদি গৈ থাকিল।

গৈ গৈ হাবিৰ সোঁমাজ পায়েই হঠাৎ বীৰু বুঢ়াৰ পুৰণি বেমাৰটোৱে উক্ দিলে। বীৰুৰ বুকুৰ বিষ উঠিল আৰু বাগীৰ ওপৰতে বাগৰি পৰিল। পাছ মুহূৰ্ততে—কচোৱান বীৰুৰ হাত-এৰা হৈ বাগীৰ ঘোঁৰাটোৱে বলিয়া-ঘোঁৰাৰ দৰে জঁপিয়া-জঁপি কৰি কৰি লেকাম ছিঙি বগীখনক এজোপা ডাঙৰ গছত খুন্দিয়াই থৈ গছ-বনৰ আঁৰত নোহোৱা হৈ পৰিল। বাগীত বহি থকা গোবধন আৰু পুতেক গিৰিধৰ, পৰিবাৰ গোমতীয়েও ভয়ৰ কোবত বাক্শক্তি-ৰহিত হৈ পৰিল।

অলপ পাছত গোমতীয়েই সুধিলে, "এতিয়া কি হ'ব? আমি যাম কেনেকৈ?

"যেনেকৈ মানুহে যায়—তেনেকৈয়েই দেখিছোঁ আমিও যাব লাগিব।"

গোবৰধনৰ এই কথা শুনি গোমতী আৰু গিৰিধৰে নুবুজাৰ ভংগীৰে চোৱাত গোবৰধনেই আকৌ ক'লে, "বস্তুখিনি আমি কিছু কিছুকৈ মূৰত উঠাই লৈ ভৰিৰে খোজ দি দি যাব লাগিব।"

কথা মতে কাম, গোবৰধন তাৰ নাম। গোবৰধনে সেই বিৰাট বাকচটো মূৰৰ ওপৰত উঠাই ল'লে, অন্যান্য বস্তুবোৰ গোমতী আৰু গিৰিধৰে হাতত কান্ধত

মূৰতো লৈ ল'লে, আৰু হাবিৰপৰা ওলাই যাবলৈ খোজ বঢ়ালে। বুঢ়া বীৰুৰ কথা চিন্তিবলৈকো নহ'ল, আগে নিজে বাঁচো পাছতেহে বাপেৰৰ নাম!

কিছুদূৰ যোৱাৰ অন্তত গোমতীয়ে ক'লে, "বেচেৰা বীৰু অকলেই পৰি থাকিল সেই জন্তু-জানোৱাৰেৰে ভৰা হাবিত। তাৰ যে কি হ'ব—!"

"এতিয়া সেইবোৰ কথা চিন্তাৰ সময় নহয়। চহৰত ভৰি দিয়াৰ পাছতেহে এইবোৰ লেনিয়া কথা লেনীবোৰে ভাবিব লাগে। বীৰুৰ কথাত বুকু শুদা হৈছে, পিছে — ঘোঁৰাটোৰ কথা দেখোন কোনোজনীৰ মনতেই পৰা নাই! ঘোঁৰাটোৰ কিমান দাম জানানে?" গোবৰধনে গুজৰি উঠি ক'লে।

বহু কষ্টেৰে আধা ক্ৰোশমান অহাৰ পাছতহে গোবৰধনে বুজি পালে যে— বোজা কঢ়িয়াই নিয়াৰ কষ্ট কিমান। ৰ'দও যে থিয় ৰ'দ, ৰ'দত ইমান যে কষ্ট হৈছে—কিমান যে ঘামিছে! তিনিওজনেই ভাগৰি পৰিছিল, ইমানবোৰ বোজা কঢ়িয়াই নিব পৰা টান হৈ উঠিছিল। আটাইতকৈ বিমোৰত পৰিছিল বিৰাট বাকচটো কঢ়িয়াই থকা গোবৰধনেই। এতিয়া তেওঁ ইমান ডাঙৰ বাকচটো মূৰৰ ওপৰত লৈ এখোজো দিব নোৱৰা হৈছে। বাকচটো নমাই মাটিত থৈ গোবৰধনে



ক'লে, "অলপ পানী দিয়াচোন, হেৰা !

গোমতীয়ে চঁক খাই উঠি ক'লে, "এস্ ! পানীৰ পাত্ৰটো দেখোন বাগীতে থাকি গ'ল !" শুনি গোবৰধনৰ পিয়াহতে মৰি যাওঁ মৰি যাওঁ যেন লাগিল ।

আৰু ঠিক সেই মুহূৰ্তত হঠাৎ গোবৰধনে ভাবিলে তেওঁ যে তেওঁৰ চাকৰ-নাকৰহঁতক আনকি পানী এটোপা খাবলৈকো জিৰণি নিদিয়া হয়, আৰু কেৱল কাম কৰিবলৈ বাধ্য কৰে—সিহঁতৰো দেখোন এনেকুৱাই কষ্ট হয় । পিয়াহত অণ্ঠ-কণ্ঠ শুকায় ! ঠিক তেতিয়াই — ভয়ানক জন্তু-জানোৱাৰেৰে ভৰি থকা হাবিৰ মাজত অকলশৰে অচেতন হৈ পৰি থকা বেমাৰী বীৰু বুঢ়ালৈকো গোবৰধনৰ মনত মৰম উপজিল আৰু এইবোৰ কথাৰ বাবে নিজৰ ওপৰত নিজৰেই ঘৃণাও উপজিল ।

গোবৰধনে গোমতীক কৈ উঠিল, "মই আমাৰ পানীৰ পাত্ৰটো লৈ আহোঁগৈ ।"

এই কথা শুনি পুতেক গিৰিধৰে ক'লে, "মই আনোগৈ—দেউতা ।"

গোবৰধনে গিৰিধৰক বাধা দি ক'লে, "কেৱল পানীৰ পাত্ৰটোৰেই নহয়, হাবিত অকলশৰে পৰি ককবকাই থকা বেমাৰী বীৰু বুঢ়াকো মই লৈ আহিমগৈ । লগতে —ঘোঁৰাটোকো । বীৰুক মই চহৰলৈ নি বেজকো দেখুৱাম ।"

কঠুৰা গোবৰধনৰ মুখে এইবোৰ শুনি মাক-পুতেকে পৰস্পৰলৈ ভেবা লগা দৃষ্টিৰে চাবলৈ ধৰিলে । গোমতী আৰু গিৰিধৰে অকলে অকলে হাবিলৈ সোমাবলৈকো গোবৰধনক হাক দিলে ।

কিন্তু গোবৰধনে কাৰো হাক নামানি নিজৰ প্ৰাণলৈ ভ্ৰূক্ষেপো নকৰি নিঃশংক-ভাবে আৰু প্ৰসন্ন মনেৰে হাবিলৈ বুলি খোজ ল'লে কিয়নো ।

তেতিয়া গোবৰধনৰ প্ৰাণত উঠিছে—পৰিৱৰ্তনৰ জোৱাৰ··· ।



ঠেং আৰু ঠুঙুৰি

হাবিৰ কাষত থকা খেতি পথাৰত গোটেই দিন ধৰি কাম কৰাৰ অন্তত বেলিয়ে লাহ দিয়াৰ লগে লগে হালোৱা এজন ঘৰলৈ বুলি গুমাই গৈ থাকিল। হঠাৎ এটা বাঘৰ গোজৰণি শুনি হালোৱাজনে বৈ দিলে আৰু ইফালে-সিফালে চাই বিৰাট গছ এজোপাৰ চেপেনাৰ নিচিনা দুখন ডালৰ মাজত বাঘ এটা আবদ্ধ হৈ ছটফটাই থকা দেখা পালে।

এই কথা ভাবি হালোৱাই ভয় খালে যে কেনেবাকৈ বাঘটো যদি এৰা পায়—তেনেহ'লে তাকো বাঘটোৱে নেখাই নেৰিব। গতিকে—সি নিজৰ- নিৰাপত্তাৰ বাবে বাঘটোক তাৰ ঠুঙুৰিখনেৰে (নেপালী দা) কাটি পেলাব বুলি ভাবি বাঘৰ কাষলৈ গৈ আটক হৈ পৰা বাঘটোৰ পিছঠেং এখনত এহাতেৰে ধৰি সিখন হাতেৰে ডিঙিত ৰেপিবলৈ চেষ্টা কৰি থাকিল। কিন্তু বাঘটো অতিপাত ছটফটাই থকাত তাৰ মুৰটো ৰেপি ৰেপি কাটিবলৈ টান পালে সি।

ঠিক তেতিয়াই সেই বাটেদি সাধু এজন গৈ আছিল। হালোৱাই সাধুক ক'লে, "প্ৰভু, কথা কি—দেখিছেই। মই বাঘটোৰ ঠেঙত ধৰি আছোঁ, আপুনি এই ঠুঙুৰিখনেৰে তাৰ মুণ্ডটো কাটক।"

সাধুৱে ক'লে, "ভাই, মই হিংসাৰ কাম কৰিব নোৱাৰিম, মোক ক্ষমা কৰা। কোনো অস্ত্ৰ মই আনকি হাতেৰে ছুবও নোৱাৰিম।

"তেনেহ'লে আপুনি বাঘটোৰ ঠেঙত ধৰক, মই কাটোঁ।" হালোৱাই ক'লে।

সাধুৱে ফান্দত পৰা বাঘটোৰ ঠেঙত জোৰেৰে চেপা মাৰি ধৰিলে। কিন্তু হালোৱা মানুহজনে তিমানবে তাৰপৰা গুচি যাবলৈ খোজ ল'লে।

সাধুৱে সুধিলে, "হেৰা তুমি যোৱাগৈনে কি? বাঘটোক তেন্তে মাৰিব কোনেনো?"

হালোৱাই ক'লে, "প্ৰভু! আপোনাৰ কথা শুনি হিংসাই মোকো আমুৰাইছে। এতিয়া যদি মোক আপুনি বাঘটোক বধিবলৈ কয়—সেই কথা অন্যায় কথাহে হ'ব। আৰু কেৱল ঠেঙত ধৰি ঠুঙুৰি নোছোৱাকৈ থাকিলেই যে পাপমুক্ত হ'ব নোৱাৰি তাকো আপুনি নিশ্চয় বঢ়িয়াকৈ বুজে।"

এই বুলি কৈয়েই হালোৱাই ঘৰলৈ বুলি গুমাই খোজ ল'লে। —কুমুদ গোস্বামী

গুৰু

মহাৰাজ যশপালৰ দুজন পুত্ৰ! ডাঙৰজন ধৰ্মপাল আছিল অতি প্ৰখৰ বুদ্ধিসম্পন্ন, আৰু সৰু ধৰ্মপাল আছিল মহামূৰ্খ। কিন্তু মহাৰাজৰ ইচ্ছা আছিল দুয়োজন পুত্ৰক একেজন গুৰুৰ অধীনত বিদ্যাশিক্ষা দান। এই কথা মনস্থ কৰি মহাৰাজ যশপাল দণ্ডকাৰণ্যৰ সমীপৱৰ্তী অমৰকণ্টকস্থিত গুৰু মাধৱৰ আশ্ৰমলৈ গ'ল।

মহাৰাজৰ ইচ্ছাৰ কথা শুনি গুৰু মাধৱে ক'লে, "মহাৰাজ, মই এতিয়া বৃদ্ধাৱস্থা প্ৰাপ্ত হৈছোঁ। আশ্ৰম পৰিচালনৰ তথা শিক্ষাদানৰ ক্ষমতা মোৰ আৰু নাই। মোৰ দুজন শিষ্য ৰাজধানীতে আছে। এজনৰ নাম বৃহস্পতি, অন্যজন শিষ্যৰ নাম শিলাসংস্কাৰী। আপুনি এই দুজনৰ মাজত যিকোনো এজনৰ কাষ চাপক।"

মহাৰাজ যশপাল প্ৰথমতে বৃহস্পতিৰ কাষ চাপিলা বৃহস্পতিয়ে মহাৰাজৰ কথা শুনাৰ অন্তত ক'লে, "মহাৰাজ, কেৱল ৰজা-মহাৰজাৰ সন্তানেই নহয়, স্বয়ং ঈশ্বৰৰ সন্তান মোৰ ওচৰলৈ বিদ্যাশিক্ষাৰ বাবে আহিলেও মই পৰীক্ষা কৰিহে ল'ম। মোৰ শিষ্য হ'ব লাগিব ধীৰৰো ধীৰ—ঠিক যেন বাণৰ তেহে শিকাম আখৰ!"

শিলাসংস্কাৰীয়ে মহাৰাজক ক'লে, "মহাৰাজ! গুৰু ক'ম সেইজনকহে—যিজনে শিষ্যৰ কাৰণে সকলো কষ্ট হাঁহি মুখেৰে বৰণ কৰি লয়। যি কি নহওক—মই কোনো পৰীক্ষা কৰাত নাই। শিষ্যইঁতে যদি জনা-বুজা হ'ব—কেলেইনো মোৰ ওচৰলৈ শিকিবলৈ আহিব? মোৰ শিক্ষা—সকলোৰে বাবে।"

ৰজনী কটকী

তাৰ পাছত মহাৰাজে তেওঁৰ মহামন্ত্ৰীক বৃহস্পতিৰ কথা বিবৰি কোৱাৰ অন্তত ক'লে. "মোৰ ৰাজ্যত — বিশেষকৈ ৰাজধানীত কোনো আত্মঅহংকাৰীৰ স্থান নাই। যিকোনো প্ৰকাৰে বৃহস্পতিক সমুচিত শিক্ষা দিবলৈ উপায় কৰক।"

মহামন্ত্ৰীয়ে ক'লে' "তেনেহ'লে পণ্ডিত্যৰ বিষয়ে এখন প্ৰতিযোগিতা পতা যাওক।"

মহামন্ত্ৰীৰ পৰামৰ্শমতেই পাণ্ডিত্যৰ মূল্যায়নৰ প্ৰতিযোগিতা পতা হ'ল। দেশ-বিদেশৰ বহু সংখ্যক পণ্ডিত আৰু শিলা-সংস্কাৰীকো প্ৰতিযোগিতাত পৰাজিত কৰি বৃহস্পতি সগৌৰৱে বিজয়ী হ'ল।

মহাৰাজ যশপালে আচৰিত মানি বৃহস্পতিক সুধিলে. "মহাশয়, আপোনাৰ ইমান পাণ্ডিত্য, অথচ—আপোনাৰ মাজত থকা অহংকাৰ—নিমিলে দেখোন!"

মহাৰাজক বিনম্ৰতাৰে নমস্কাৰ কৰি বৃহস্পতিয়ে ক'লে. "মহাৰাজ! অহংকাৰ পণ্ডিতৰ গুণ নহয়। মই—জানি-বুজিয়েই আপোনাৰ আগত অহংকাৰ প্ৰদৰ্শন কৰিছিলোঁ। মোৰ অহংকাৰৰ আপুনি ক্ৰুদ্ধ হ'ব আৰু মোক অপদস্থ কৰিবলৈ আন উপায় নাপাই এনেকুৱা প্ৰতিযোগিতা পাতিব বুলি মই ধাৰণা কৰিছিলোঁ।

বৃহস্পতিৰ উত্তৰ শুনি মহাৰাজ পৰিতুষ্ট হ'ল। তেওঁ ক'লে. "আপোনাৰ উত্তৰত



মই সন্তুষ্ট। যি কি নহওক—এতিয়া মোৰ ল'ৰা দুটিক শিষ্য হিচাপে ল'বনে ?"

"মহাৰাজ, পৰীক্ষা কৰি লোৱাত যদি আপোনাৰ আপত্তি আছে, তেনেহ'লে—শিলাসংস্কাৰীৰ ওচৰতে ৰাজকোঁৱৰদ্বয়ক বিদ্যাশিক্ষা কৰিবলৈ পঠাওক।"

মহাৰাজ যশপাল পুনৰ ক্রুদ্ধ হৈ উঠিল। পাণ্ডিত্যৰ প্রতিযোগিতাত শিলা-সংস্কাৰী— আছিল শ্রেষতম পণ্ডিত মহাৰাজে বৃহস্পতিক সেই কথাটো সোঁৱৰাই দিলে আৰু ক'লে, "ৰাজকোঁৱৰ দুজন একোপধ্যেই আপোনাৰ শিষ্য হ'ব নোৱাৰিবইনে ?"

বৃহস্পতিয়ে ক'লে, "মহাৰাজ! মই এতিয়াও গুৰু হ'ব পৰা নাই, শিক্ষাৰ্থীয়েই হৈ আছোঁ—এই কথা শুনি মোক মিছলীয়া বা আকৌ অহংকাৰী বুলিয়েই ভাবিব কিজানি। কিন্তু—এই যে মই ভালবো ভাল শিষ্য বাছি লওঁ, এই শিষ্যখিনিয়েই আচলতে মোৰ গুৰুৰ কাম কৰা হয়। সিহঁতৰ চোকা চোকা তীখৰ তীখৰ প্রশ্নতে মই পাওঁ চিন্তাৰ সমল। মই মোৰ শিষ্যসকলৰ গুৰু নহওঁ, সহযোগী মাত্র। কিন্তু — শিলাসংস্কৰী হ'ল প্রকৃততেই গুৰু। তেওঁ, নিজৰ বুদ্ধিৰ বৃদ্ধিৰ বাবে নহয়, বিদ্যাৰ্থীহঁতৰ বুদ্ধিৰ বৃদ্ধিৰ বাবেহে শিক্ষাদান কৰিছে। সেই হেতুক, পাণ্ডিত্যত তেওঁ কিঞ্চিত তাকৰ হ'লেও গুৰু ৰূপে তেওঁ মোতকৈ বহু বহুখিনি অধিক মহৎ।"

বৃহস্পতিৰ যুক্তিপূর্ণ কথা শুনাৰ অন্তত মহাৰাজে তেওঁৰ জ্যেষ্ঠপুত্র তীক্ষ্ণবুদ্ধি ধর্মপালক বৃহস্পতিৰ ওচৰত আৰু অলপবুদ্ধি কর্মপালক শিলসংস্কাৰীৰ ওচৰত শিক্ষা গ্রহণৰবাবে দিছিল। কিছুকালৰ অন্তত ধর্মপালে তাৰ প্রখৰ বুদ্ধিৰ প্রভাৱত আৰু কর্মপালে অধ্যৱসায়ৰ প্রভাৱত ৰাজবংশ মুখোজ্জ্বল কৰিছিল।



বীৰ হনুমান

সমুদ্ৰই কৈ যোৱা মতে শ্ৰীৰামচন্দ্ৰই নলক সাগৰৰ ওপৰত সেতু নিৰ্মাণ কৰিবলৈ ক'লে আৰু তাৰ পাছত নলৰ নিৰ্দেশমতে বানৰসকলে বিৰাট বিৰাট গছ উপাৰি আনি চটাচটে শিল দাঙি আনি সাগৰৰ পানীত ধমাধমকৈ পেলাবলৈ ধৰিলে।

*

এই সেতু দীঘলে এশ যোজন আৰু বহলে দহ যোজন হ'ব। প্ৰতিদিন বিছ যোজনকৈ নিৰ্মাণ কৰি কৰি মাত্ৰ পাঁচ দিনৰ ভিতৰত বিস্তীৰ্ণ সাগৰৰ বুকত বিৰাট 'সেতুবন্ধ' নিৰ্মিত হৈ গ'ল।

তাৰ পাছত ৰামচন্দ্ৰৰ নিৰ্দেশক্ৰমে একোপধ্যেই গণিব নোৱৰা বানৰসৈন্য সেই সেতুৰ ওপৰেদি দলেবলে লংকালৈ বুলি গৈ থাকিল বিভীষণৰ নেতৃত্বত।

*

সেতুৰ সহায়ত সাগৰ পাৰ হৈ অসংখ্য বানৰ আৰু ভল্লুকসেনাই যেতিয়া লংকা-ভূমিত ভৰি দিলে, তেতিয়া লংকাৰ আকাশ-বতাহ শ্ৰীৰামচন্দ্ৰৰ জয়ধ্বনিৰে মুখৰ হৈ উঠিল; সাগৰৰ সিপাৰতো ফলবৃক্ষৰে ভৰপূৰ অননি-বননি আছিল, আছিল বানৰ আৰু ভল্লুকসেনাৰ পক্ষে যথেষ্ট প্ৰাকৃতিক আহাৰ্য্য। গতিকে—সেই মহাসাগৰৰ সিপাৰলৈ যোৱাৰ পাছতো সিসকলৰ মাজত বিভিন্ন ধৰণৰ খাদ্যৰ কোনো অভাৱবোধ পৰিলক্ষিত নহ'ল।

'সাগৰ-বন্ধনৰ-সূত্ৰ'

ভাহি আহিল। এইবোৰ শুনি বানৰসেনা অধিক ক্ষিপ্ত হৈ উঠিল আৰু সেই বিকট ৰাক্ষসহঁতৰকৈয়ো উচ্চ গৰ্জনেৰে গগন বিদীৰ্ণ কৰি থাকিল।

*

ৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "আহাঁ, চোৱাঁহি, ত্ৰিকূট পৰ্বতোপৰি স্বয়ং বিশ্বকৰ্মা-নিৰ্মিত আকাশলংঘা লংকানগৰী নিজ চকুৰে চাই লোৱাহি!"

তাৰ পাছত ৰামচন্দ্ৰই লক্ষ্মণক বুজাইকৈ থাকিল যে বানৰ সেনাক কেনেকৈ কোন কোন দিশেদি আগবঢ়াই লৈ যাব লাগিব. কোন কোন সেনাপতি কোন কোন ঠাইত থাকিব লাগিব। কেনেকৈ ব্যূহ ৰচনা কৰিব লাগিব। ঋষভ আৰু তাৰ সেনা সোঁহাতে থাকিব লাগিব, গন্ধমাদন সসৈন্যে বাঁওপাৰ্শ্ব ৰক্ষা কৰি থাকিব। তেওঁ—অৰ্থাৎ ৰামচন্দ্ৰ আৰু লক্ষ্মণ থাকিব লগিব ব্যূহৰ একেবাৰে সন্মুখৱৰ্তী হৈ। সুগ্ৰীৱ থাকিব লাগিব তেওঁৰ নিজস্ব বাহিনীৰ পিছফালে।

ৰামচন্দ্ৰই বানৰ সেনালৈ চালে। বানৰসেনাই যুদ্ধাৰম্ভৰ ইংগিতৰ বাবেহে অস্থিৰ হৈ আছিল। সিহঁতে নিজৰ মাজতে জঁপিয়াজঁপি কৰি আছিল আৰু হুংকাৰি আছিল লংকাৰ ৰাক্ষসবিলাকৰ মনত ভীতি

তাৰ পাছত এক শুভক্ষণত আৰম্ভ হ'ল লংকানগৰীলৈ গমনৰ প্ৰাথমিক পৰ্য্যায়। শ্ৰীৰামচন্দ্ৰ আগে আগে গৈ থাকিল। আৰু সিংহনাদ কৰি কৰি গৈ থাকিল সংখ্যাতীত বানৰ সেনা। বানৰসেনাৰ মাজত এবম্বিধ উৎসাহ-উদ্দীপনা লক্ষ্য কৰি শ্ৰীৰামচন্দ্ৰ অত্যন্ত পুলকিত হ'ল আৰু তেওঁ উৎসাহ দিলে।

অতঃপৰ বানৰসেনা লংকানগৰীৰ বহিঃদেশত তথা প্ৰায় দ্বাৰদেশত উপস্থিত হ'ল। লংকানগৰীত ভেৰীৰ তুৰ্য্যনাদ উঠিল। ৰণবাদ্য ৰাজিবলৈ ধৰিলে, আৰু ৰাক্ষসবিলাকৰ গগনফলা গৰ্জনৰ শব্দও

উৎপাদনৰ বাবে।

ৰামচন্দ্ৰই সুগ্ৰীৱক ক'লে, "ৰাৱণৰ দূত শুকক এতিয়া লংকালৈ যাবলৈ দিয়া। তাক আটক কৰাৰ আৱশ্যকতা নাই, বন্ধু!"

ৰামচন্দ্ৰৰ নিৰ্দেশমতে শুকক এৰি দিয়াৰ লগে লগেই শুকে ফেঁটীৰ মূৰ ছিঙা লৰ দি 'আইঔ মৰিলোঁ ঔ' বুলি চিঞৰ ধৰি পলাই ফাট মাৰিলে আৰু পোনে পোনেই মহাপ্ৰতাপী লংকেশ্বৰ ৰাৱণৰজাৰ কাষ পালেগৈ।

ৰাৱণে ধুমুহা'ত পৰাহেন শুকক দেখি হাঁহি মাৰি ক'লে, "কিহে উক-মুক কৰিবলৈ নোপোৱা শুক, বোলোঁ— আকৌ উৰণ-তেকীয়া হ'লানে? বিয়াগোম বিয়াগোম বান্দৰে তোমাকো পাকড়াও কৰিছিল নিশ্চয়?"

শুকে সেই মহামহিম ত্ৰিলোকবিজয়ী প্ৰতাপান্বিত লংকেশ্বৰ ৰাৱণক ক'লে:

"মই—তুমি কৈ দিয়া মতে হুবহু কথাখিনি সুগ্ৰীৱক কৈছিলোঁগৈ। কিন্তু সেই কথা শুনি বান্দৰমখাই মোক পাক্ৰাও কৰি যি নাকনি-কাননি কৰিলে, সিকথা মই জীৱনতো পাহৰিব নোৱাৰিম। সিহঁতে মোৰ কোনো কথা নুশুনিব, আৰু সিহঁতেও একো নক'ব। এইদৰে—কি সুধিম—কি জানিম? বান্দৰবিলাকৰ নেতাবিলাক খঙাল, গপাল আৰু মূৰ্খ; যদিও ইহঁতে যে সাগৰক



সেতুৰে বান্ধি লংকাৰ দুৱাৰমুখ পাইছেহি সি-ও সত্য। এতিয়া ভল্লুক আৰু বান্দৰ-সেনাৰে লংকাভূমি ভৰি পৰিছে। আৰু সিহঁতৰ হাজাৰ-বিজাৰ পোৱালিও ইয়াতে জনম লৈছে। বান্দৰ আৰু ৰাক্ষসৰ মাজত যে প্ৰচণ্ড ৰণ হ'ব—সেই কথাত অলপো সন্দেহ নকৰা। বান্দৰবোৰ লংকানগৰীৰ প্ৰাকাৰতে বহি আছে বুলি ধৰি ল'ব পাৰা। এতিয়া তোমাৰ আগত মাত্ৰ একেটাই উপায় আছে। অনতিপলমে সীতাক মুক্তি দিয়া আৰু যুদ্ধৰপৰা নিষ্কৃতি লোৱা, আৰু নতুবা—ৰণ দিয়া।"

শুকৰ মুখে শ নামে-গৰধীয়া নামে শুনি ৰাৱণে অগ্নিবৰ্ণ চকুৰে শুকলৈ আৰু তাত থকা অন্যান্যলৈকো চাই ক'লে, "আনকি ত্ৰিলোক একত্ৰিত হৈ মোক আক্ৰমণ কৰিলেও মই ভ্ৰূক্ষেপো নকৰোঁ, বা সীতাসুন্দৰীকো ওভোতাই নিদিওঁ। বহুকাল ধৰি যুদ্ধ কৰিও পোৱা নাই, গতিকে যুদ্ধ এখন লাগে যদি—ভালেই পাম; বেচাৰা সামান্য নৰ ৰাম! মোৰ শক্তি-পৰাক্ৰম নাজানি-নগমি যুদ্ধ দিব বুলি আহিছে। আহক, যুদ্ধৰ সোৱাদ চাকি যাওক!"

ৰাৱণে তেওঁৰ মন্ত্ৰী শুক আৰু সাৰণক পুনৰ ক'লে, "সাগৰক সেতুৰে বন্ধন কৰাটো এক নাশ্ৰুত-নাভূত কথা। মই এই কথা স্বচক্ষে নেদেখালৈকে বিশ্বাস কৰিবলৈ টান পাইছোঁ। তোমালোকে বানৰ ৰূপ ধৰি মনে মনে চাই আহাগৈচোন—এই কথা কিমানদূৰ সত্য? আৰু—যদি সঁচাসঁচিকৈয়েই সাগৰৰ ওপৰত সেতু নিৰ্মাণৰ কথা সত্য—তেনেহ'লে—কিমান বানৰসেনা ইয়ালৈ আহিল, সিহঁতৰ নেতা কোন কোন, ৰামৰ কি কি অস্ত্ৰ-শস্ত্ৰ আছে—তাৰো সঠিক ৰেখ ল'বলৈ অৱশ্যেই চেষ্টা কৰিবা।"

শুক আৰু সাৰণে তৎক্ষণাৎ বানৰ ৰূপ ধৰি বানৰসেনাৰ মাজত সোমাই

পৰিলগৈ। কিন্তু অলপ পাছতেই সিহঁত দুটা বিভীষণৰ হাতত ধৰা পৰিল। বিভীষণে সিহঁত দুটাক ৰামচন্দ্ৰৰ ওচৰলৈ লৈ গ'ল আৰু ৰামচন্দ্ৰক ক'লে, "ইহঁত দুটা বানৰ নহয়, বানৰৰ ভেশছনত শুক আৰু সাৰণ নামৰ দুটা ৰাক্ষস, তথা ৰাৱণৰ মন্ত্ৰী। আমাৰ ক'ত কি আছে জানিবলৈ সিহঁত ইয়ালৈ আহিছে।"

শুক আৰু সাৰণে ৰামচন্দ্ৰক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে যে—বিভীষণে কোৱা কথা সম্পূৰ্ণ সত্য। সিহঁত দুটা যে বানৰসেনাৰ তথা ৰামচন্দ্ৰৰো খা-খবৰ লবলৈ আহিছে — সেই কথাও সিহঁতে কবুল কৰিলে।

এই কথা শুনি ৰামচন্দ্ৰই প্ৰাণখোলা হাঁহিৰে ক'লে, "ঠিক আছে, তোমালোকে আমাৰ সেনা, বা অস্ত্ৰ-শস্ত্ৰ তোমালোকৰ মনে-খোৱা-মতে চাই যোৱা। বিভীষণেই তোমালোকক সকলো দেখুৱাই দিব। তোমালোক নিঃচিন্ত হৈ থাকিব পাৰা, এই কাৰণে ইয়াত কোনেও তোমালোকক নবধিব, বা তোমালোকক কোনেও আনকি এষাৰ কটুবাক্যও নক'ব।"

পাছত ৰামচন্দ্ৰই শুক আৰু সাৰণৰ হতুৱাই লংকেশ্বৰ ৰাৱণলৈ এই বাৰ্তা প্ৰেৰণ কৰিলে ঃ

"ৰাৱণ! কালিলৈ উপজি পুৱাৰেপৰাই মোৰ প্ৰচণ্ডতম ক্ৰোধ তোমাৰ ওপৰত



বজ্ৰৰ দৰে পৰিবগৈ।”

শুক আৰু সাৰণে ৰামচন্দ্ৰৰ জয়ধ্বনি দিলে আৰু তাৰ পাছত লংকালৈ উভতি গৈ ৰাৱণক ক'লে :

“মহাৰাজ! আমি বানৰৰ ৰূপ ধৰি বানৰ—সেনাৰ লগ লাগিছিলোঁগৈ, কিন্তু বিভীষণে আমাক ধৰা পেলাই ৰামচন্দ্ৰৰ হাতত গঁপিলে। কিন্তু ৰামচন্দ্ৰই আমাক নিচেই নগণ্য বুলি গণি—এৰি দিলে। বানৰসেনাৰ সৈতে আছে—ৰামচন্দ্ৰ, লক্ষ্মণ সুগ্ৰীৱ, আৰু আমাৰ বিভীষণ। আৰু—ৰামচন্দ্ৰৰ হাতত যি বাণ দেখিলোঁ, সি অতি মাৰাত্মক। অন্য অস্ত্ৰ-শস্ত্ৰ নাথাকিলেও কোনো ক্ষতি নাই বুলিয়েইহে ধাৰণা হৈছে। বানৰসেনাই যুদ্ধ কৰিবলৈ কেৱল আদেশৰ কাৰণেহে অস্থিৰভাবে ৰৈ আছে। ক্ৰোধমুক্ত হৈ আমাৰ কথা এবাৰ শুনক, যুদ্ধ পৰিহাৰ কৰি সীতাক মুক্তি দিয়াটোহে ভাল বুলি ভাবোঁ।”

ৰাৱণে ক'লে, “নহয়, কোনো অৱস্থাতে মই সীতাসুন্দৰীক ওভোতাই নপঠাওঁ। তোমালোক ডৰপুক বুলিহে ৰণ দিবলৈ ডৰ কৰিছা। মোৰ বিৰুদ্ধে যুদ্ধ কৰি নৰ কোন ছাৰ—দেৱতায়ো যে বিজয়ী হ'ব নোৱাৰে—সেই কথা মনত ৰাখিহে কথা ক'বা।”

তাৰ পাছত ৰাৱণে বানৰসেনাৰ বেহৰূপ স্বচক্ষে চাই আহিবলৈ প্ৰাসাদৰ চাললৈ গ'ল আৰু লংকাৰ চাৰিও ফালে বানৰ আৰু ভালুক সেনা বিনে আন একো দেখা নোপোৱা হ'ল। তেওঁ তেওঁৰ লগত থকা সাৰণক ক'লে, “বানৰসেনাৰ সংখ্যা অগণিত যেন পাইছোঁ। কিন্তু—ইহঁতৰ মাজত প্ৰকৃত পৰাক্ৰমী কেইটা আছে? ইহঁতৰ প্ৰধান সেনাপতি কোন? আৰু—সুগ্ৰীৱৰ পৰামৰ্শদাতায়েইবা কোন?”

ৰাৱণৰ প্ৰশ্নৰ উত্তৰত সাৰণে ক'লে :

“বানৰসেনাৰ প্ৰধান সেনাপতি হ'ল নীল। অংগদ হ'ল বানৰৰাজ্যৰ যুৱৰাজ।

অংগদ হ'ল বালীৰ পুত্ৰ আৰু বালীৰ দৰেই বলী। হনুমানৰ কথা আপুনি বিদিত। সাগৰৰ ওপৰত সেতুৰ নিৰ্মাতা নল মহা-পৰাক্ৰমী। নলৰ বানৰ-বাহিনী হেনো অজয়ে। সৌ যে দেখিছে—বগা বৰণীয়া বান্দৰটো—তাৰ নাম শ্বেত। সিও প্ৰবল পৰাক্ৰান্ত। আৰু সৌ যে সৌফালে ৰঙা-হালধীয়া ৰঙৰ বানৰটোক দেখিছে—তাৰ নাম কুমুদ। তাৰ দৰে নিষ্ঠুৰ-নিৰ্মম বান্দৰ এটা আনকি আমাৰ ৰাক্ষসকুলতো বিচাৰি পাবলৈ নাই।"

তাৰ পাছত সাৰণে ৰম্ভ, শৰভ পনস আদি বানৰ-বীৰৰ বিষয়েও ৰাৱণক ক'লে।

তাৰ পাছত ভল্লুক-বাহিনীৰ কথা বিবৰিলে। এই অপৰাজেয় ভল্লুক-নেতা আছিল বাহিনীৰ জাম্বৱন্ত।

সাৰণে তাত ৰাম-লক্ষ্মণকো ৰাৱণক দেখুৱালে। ৰাৱণে ৰাম-লক্ষ্মণৰ কাষত বিভীষণকো দেখা পাই ক্ৰোধোন্মত্ত হৈ উঠিল আৰু হঠাৎ সাৰণ আৰু শুকলৈ বিদ্ৰূপ কৰি কৈ উঠিল, "তোমালোকৰ দৰে মিত্ৰ-বন্ধু মন্ত্ৰী হৈ থাকিলে সামান্য নৰৰ হাতত মৰণ বিনে গতি নাই। তোমালোকলৈ ধিক্! অতীতত তোমালোকে কিছু ভাল কাম কৰাহেতুকে এতিয়াও সৌশৰীৰে জীয়াই আছা। এতিয়া তোমালোক দুয়োটায়েই বিদায় হোৱা আৰু মোৰ চকুৰ আঁৰ হোৱা—এয়া মোৰ কঠোৰতম আদেশ!"

তাৰ পাছত ৰাৱণে মহোদৰক দুজন বছা বছা তথা বিশ্বাসী গুপ্তচৰক মাতি আনিবলৈ ক'লে।

গুপ্তচৰদ্বয় আহিলত ৰাৱণে ক'লে, "ৰামৰ বিষয়ে সকলো তথ্যপাতি মোক তুৰন্তে লাগে।"

ছদ্মবেশ ধাৰণ কৰি গুপ্তচৰ দুয়োটায়েই—য'ত ৰাম, লক্ষ্মণ, বিভীষণ আৰু সুগ্ৰীৱ বহি আছিল—তালৈ গ'ল।



যোগ্য ভোগ্য

বহু বহু কালৰ আগতে চীনদেশৰ কোনোবা এখন গাঁৱত লা ফাং নামৰ এজন জমিদাৰ আছিল। তেওঁৰ পুত্ৰী মাইলা ফাং আছিল তওঁৰ একমাত্ৰ সন্তান। মাইলা দেখাত আছিল অপূৰ্ব ৰূপৱতী, আৰু লগতে বিদ্যাৱতীও। মাইলাই যেতিয়া বিয়াৰ বয়স পালে, তেতিয়া অতি উচ্চ বংশৰ তথা ধনাঢ্য পৰিয়ালৰ তিনিজন যুৱক আহিল মাইলাক বিয়া কৰাবৰ মনেৰে।

জমিদাৰ লা ফাঙে যুৱক তিনিওকো নানান প্ৰশ্ন কৰি তালুৰে-জিভাই লগাই যথেষ্ট পৰীক্ষা-নিৰীক্ষা কৰিলে। জমিদাৰ ডাঙৰীয়াই এই কথা স্পষ্টৰূপে বুলি যে এই তিনিও যুৱকেই প্ৰতিভাৱান। কোনো কম নহয়। তিনিও বিদ্বান, তেওঁ নিজে একো স্থিৰ কৰিব নোৱাৰি তেওঁৰ পুত্ৰীৰ ওপৰতে দায়িত্ব দিলে এই তিনিজনৰ মাজৰপৰা লাইৰ যোগ্য—জনক নিজেই বাছি ল'বলৈ।

দেউতাকৰ কথাত জীয়েকো মান্তি হ'ল, কিন্তু দিন-মাহ উকলিলতো তায়ো একো স্থিৰ কৰিব নোৱৰা হ'ল। এইদৰে মাহৰ পাছত মাহ চিন্তাৰ চাকনৈয়াতে পৰি থকাৰ অন্তত এদিন অকস্মাৎ ভয়ানক বেমাৰত পৰি মাইলাৰ মৃত্যু হ'ল।

তিনিজনৰ মাজত এজন যুৱক মাইলাৰ সমাধিৰ কাষতে বহি থকা হ'ল।

দ্বিতীয় যুৱকে মাইলাহঁতৰ ঘৰতে থাকি মাইলাৰ পিতাৰক সৰ্বপ্ৰকাৰে সহায় কৰিছিল, সেৱা-যত্ন কৰিছিল।

তৃতীয় যুৱকে পৃথিৱীৰ ওপৰত ইমান বীতশ্ৰদ্ধ হৈ উঠিল যে সি সন্ন্যাসী হৈ

সংসাৰৰ সুখ-শান্তি এৰি মাইলাৰ শোকতে গৃহত্যাগ কৰিলে।

এদিন এই সন্ন্যাসী যুৱকে এগৰাকী অলৌকিক ক্ষমতাসম্পন্ন পণ্ডিত ব্যক্তিৰ সন্ধান পাই তৎক্ষণাৎ সেই পণ্ডিতৰ ওচৰলৈ গ'ল। তেওঁ যুৱকৰ সকলো প্ৰশ্নৰ উত্তৰ অতি সহজভাৱে দিলে আৰু যুৱকক তেওঁৰ সৈতে বহি আহাৰ কৰিবলৈ ক'লে।

দুয়ো আহাৰ কৰি থাকোঁতে পণ্ডিতৰ দহ বছৰীয়া ল'ৰা এটাই 'এই লাগে' 'সেই লাগে' বুলি কৈ কৈ তাৰ দেউতাকক জলা-কলা কৰি থকাত দেউতাকে' অৰ্থাৎ এই পণ্ডিতে উগ্ৰ খঙতে ল'ৰাটোক জ্বলি থকা জুই একুৰালৈ নিক্ষেপ কৰিলে।

এই দৃশ্য দেখি সন্ন্যাসী যুৱক বিভ্ৰান্ত হৈ পৰিল। যুৱকে ভাবিলে : ই দেখোন এটা হত্যাকাৰী, ইয়াকেনো মানুহে পণ্ডিত বুলি কয়নে? ইয়াক দেখোন ৰাক্ষস বুলি ক'লেও বঢ়াই কোৱা নহয়!

যুৱকে পণ্ডিতক ক'লে, "মহাশয়, আপোনাক কিয় যে মানুহে অলৌকিক ক্ষমতাসম্পন্ন পণ্ডিত বুলি কয়—বুজিব নোৱাৰিছোঁ। আপুনি দেখোন এটা হত্যাকাৰী। প্ৰকৃত পণ্ডিত এজনে ইমান ক্ৰূৰ কাৰ্য্য কেনেকৈনো কৰিব?"

যুৱকৰ কথাত পণ্ডিতে মিচিকীয়াই হাঁহি ক'লে, "চোৱাঁ, খং উঠিলেহে মানুহৰ আচল স্বভাৱ ওলাই পৰে। যি কি নহওক, মোৰ সম্পৰ্কে তোমাৰ ধাৰণা কিন্তু সঠিক নহয়। অজ্ঞানীহঁতে অতি সামান্য ঘটনাকো ডাঙৰকৈ ভাবে।"

যুৱকে ক'লে, "তাৰ মানে—আপুনি যে ল'ৰাটিক জুইত পেলাই পুৰি মাৰিলে —এয়া অতি সামান্য ঘটনা! আপুনি দেখোন এটা নৰৰূপী ৰাক্ষসহে!"

কিন্তু যুৱকৰ ইমান বঢ়া কথা শুনিও পণ্ডিতৰ খং নুঠিল। পণ্ডিতে মৃদুৰে হাঁহি মাৰি মন্ত্ৰ এষাৰ মাতিলে আৰু হাত-চাপৰি ল'ৰাটোক 'আহি যা—' বুলি কোৱাত

সেই লৌ লৌ কৰে জ্বলি থকা জুইকুৰাৰপৰা ল'ৰটো হাঁহি হাঁহি ওলাই আহিল।

কাণ্ড চাই যুৱা সন্ন্যাসী ভেবাচকা খাই গ'ল। যুৱকে পণ্ডিতৰ ভৰিত দীঘল দি পৰি ক্ষমা ভিক্ষা কৰিলে আৰু তাৰ পাছত তাৰপৰা বিদায় লৈ পোনে পোনেই মাইলাহঁতৰ ঘৰলৈ বুলি খোজ ল'লে।

পণ্ডিতে উচ্চাৰণকৰা জীয়ন-মন্ত্ৰযাৰ যুৱা সন্ন্যাসীয়ে অতি সুচাৰুৰূপে শুনি লৈছিল। সি মাইলাৰ সমাধিৰ কাষত থিয় হৈ সেই মন্ত্ৰযাৰ মাতি দিয়াত সমাধিৰপৰা মাইলা তৎক্ষণাৎ ওলাই আহিল।

এইবাৰ জমিদাৰ ডাঙৰীয়াই এই তিনিওজন যুৱকৰ মাজৰপৰা আজি-কালিতে কোনো এজনক জীৱন-সংগৰী হিচপে বাছি ল'বলৈ তেওঁৰ পুনৰ্জীৱিত পুত্ৰীক ক'লে।

প্ৰথমজন যুৱকে কৈ উঠিল, "তোমাৰ কাৰণে ময়েই যোগ্য। কিয়নো, তোমাৰ মৃত্যুৰ ক্ষণৰেপৰাই মই তোমাৰেই—কেৱল তোমাৰেই সমাধিৰ কাষত দিনে-নিশাই —কি জহত কি জাৰত, কি ৰ'দত কি বৃষ্টিত — থাকিছিলোঁগৈ। তোমাক মই ইমানেই ভাল পাই পেলাইছিলোঁ যে— মই তোমাৰ বিনে আন চিন্তা একোৱেই কৰিব পৰা নাছিলোঁ।"

দ্বিতীয় যুৱকে ক'লে, "মই তোমাক সুঁৱৰিয়েই তোমাৰ দেউতাৰাৰ সেৱা-যত্ন

কৰি থকা হৈছোঁ। গতিকে—মইহে তোমাৰ প্ৰকৃত যোগ্য।"

তৃতীয় যুৱকে, অৰ্থাৎ যুৱা সন্ন্যাসীজনে কৈ উঠিল, "মই তোমাৰ কাৰণে অলিয়া-বলিয়া হৈ নিজ গৃহ এৰি সৰ্বসুখ পৰিহৰি ওলাই গৈছিলোঁ। তোমাৰ অবিহনে মই সমগ্ৰ পৃথিৱীখনৰ ওপৰতে বীতশ্ৰদ্ধ হৈ উঠিছিলোঁ আৰু দিহিঙে-দিপাঙে বলিয়াৰ দৰে ঘূৰি ফুৰিছিলোঁ। তাৰ পাছত—এইদৰে উদ্দেশ্যহীন ভাৱে ভ্ৰমি থাকোঁতে পণ্ডিত এগৰাকীৰপৰা এই জীয়ন-মন্ত্ৰ জানি লৈ তোমাক যে জীয়াই তুলিলোঁ—দেখিছাই। গতিকে—তোমাক জীৱন-লগৰীৰূপে লাভ কৰাৰ যোগ্যতা কেৱল মোৰহে আছে বুলি মই ভাবোঁ।"

তিনিও যুৱকৰ কথা শুনি ৰূপৱতী মাইলাই মিঠাকৈ হাঁহিলে আৰু তিনিওকো ক'লে, "মোৰ মৃত্যুৰ পাছত মোৰ দেউতাৰ সেৱা-যত্ন যিজনে কৰিলে—তেওঁ হ'ল দেউতাৰ পুত্ৰৰ সমান।

"মোক যিজনে জীৱন দান কৰিলে—পুনৰ্জীৱিত কৰি পুনৰ্জন্ম দিলে—তেওঁ হ'ল মোৰ পিতৃৰ সমান।

"মোৰ সমাধিৰ কাষত থাকি যিজনে ৰ'দে-বৰষুণে দিনবোৰ-ৰাতিবোৰ পাৰ কৰিলে, মোৰেই আধা যেন হৈ মোৰেই ছায়া যেন হৈ মোৰ লগতে থাকিলে—তেওঁহে মোৰ যোগ্য। মোৰ অবিহনে তেওঁ আনকি মৃত বুলি জানিও মোক এৰি ক'লৈকো যোৱা নাছিল, মোৰ সমাধিতে পৰি আছিল — তাতকৈ পৰম মৰম আৰুনো কি হ'ব? সেইহে—মই এই দ্বিতীয়জনকে পতিৰূপে বৰি ল'ম।"

তাৰ পাছত— জমিদাৰ ডাঙৰীয়াই এদিন দহোখন গাঁৱৰ ৰাইজক নিমন্ত্ৰণ কৰি, তেওঁলোকৰ উপস্থিতিত, পুত্ৰী মাইলাৰ বিয়াখন দ্বিতীয় যুৱকজনৰ সৈতে মহা সমাৰোহেৰে পাতি দিছিল।

বিশ্বাস-আত্মবিশ্বাস

চিদানন্দ আছিল এগৰাকী খ্যাতিমন্ত পণ্ডিত ব্যক্তি। তেওঁৰ উপৰিপুৰুষসকলে ঢেৰ সা-সম্পদ আৰ্জি থৈ গৈছিল। সেইহে —চিদানন্দ পণ্ডিতে বহু বাছি-বিচাৰি পৰীক্ষা-নিৰীক্ষা কৰিহে শিষ্য গ্ৰহণ কৰিছিল আৰু দুঃস্থ-সকলৈ বিভিন্ন ধৰণে সহায় আগবঢ়াইছিল।

তামস নামৰ কবি এজনে এখন কাব্যগ্ৰন্থ ৰচি দেশৰ ৰজাক শুনোৱাত ৰজাই তামসক কৈছিল, "তোমাৰ মাজত প্ৰতিভা থকা যেনেই পাইছোঁ. তোমাক নকটা হীৰা যেন লাগিছে। আমাৰ ইয়াত চিদানন্দ নামৰ মহাপণ্ডিত এগৰাকী আছে। তোমাৰ কাব্য তেওঁক দেখুৱাই তেওঁৰদ্বাৰা পৰিৱৰ্তন-পৰিৱৰ্ধন কৰি আনি পাছত মোক দেখুৱাবা।"

কবি তামস পোনেই চিদানন্দৰ ওচৰলৈ গ'ল আৰু ৰজাই কোৱা কথাখিনি ক'লে তেওঁক। পণ্ডিত চিদানন্দই ক'লে, "উত্তম —তোমাৰ কবিতা-পুথিখন মোৰ ওচৰত থৈ যোৱা। মই চাই-মেলি ঠিকঠাক কৰি তোমাৰ ওচৰলৈ পঠাই দিম।"

দুটা দিনৰ পাছত পণ্ডিত চিদানন্দই কবিতাপুথিখন তামসলৈ পঠালে।

কিন্তু পণ্ডিত চিদানন্দই কৰা পৰিৱৰ্তন-পৰিৱৰ্ধন তামসে ভাল নাপালে। তামসে পণ্ডিত চিদানন্দক ক'লেহি, "য'ত পৰিৱৰ্তন কৰিব লাগে—কৰাটোৱেই সঠিক কাম। কিন্তু আপোনাৰ পৰিবৰ্তনৰ ফলত মোৰ কাব্যৰ মূল ভাবেই নোহোৱা হৈছে আৰু এতিয়া যিখিনি আছে—সেইখিনিক মোৰ কাব্যগ্ৰন্থ বুলি কোৱা নাযায়।"

বৰেন বৰকটকী

বিশ্বাসও মোৰ নথকা নহয়। কৰোবাৰ কাব্যগ্ৰন্থত আন কাৰোবাৰ ইচ্ছামতে পৰিৱৰ্তন-পৰিবৰ্ধন কৰিব পাৰিনে ?”

পণ্ডিত চিদানন্দই এই কথাৰ উত্তৰত একো নোকোৱাত তামসেই আকৌ ক'লে, “মহাশয়, মোৰ কথাৰ কোনো উত্তৰ নাই বুলিয়েই আপুনিও দিয়া নাই। নহয়নে ?”

“বৎস ! তোমাৰ প্ৰথম প্ৰশ্নৰ উত্তৰ মই দিলোঁৱেই। সেই উত্তৰত দ্বিতীয়-প্ৰশ্নৰ উত্তৰো বিচাৰি পাবা। একেই প্ৰশ্ন বাৰে বাৰে সোধাটো হয়তো তোমাৰ স্বভাব, কিন্তু মই একেইবোৰ উত্তৰ বাৰে বাৰে দিব নোৱাৰোঁ।” চিদানন্দই ক'লে।

মৃদুকৈ হাঁহিৰে চিদানন্দই ক'লে, “বৎস! তুমি প্ৰতিভাৱান্ কবি। কিন্তু তোমাৰ বয়স কম হোৱাহেতুকে তোমাৰ ৰচনা এতিয়ালৈকো বৰ পূৰঠ হোৱা নাই। তোমাৰ কাব্যগ্ৰন্থত কিঞ্চিত পৰিৱৰ্তন-পৰিবৰ্ধন প্ৰয়োজনীয় বুলিয়েইহে কৰা হৈছে। যাতে তুমি ৰাজঅনুগ্ৰহ লাভ কৰিব পৰা—তাৰেই বন্দৰস্ত কৰা হৈছে।”

তামসে নম্ৰতাৰে ক'লে “মহাশয়, মই বয়সত সিমান পূৰঠ নোহোৱাত মোৰ কাব্যগ্ৰন্থও কিছু অপৰিপক্ক হৈ আছে—মানি লৈছোঁ। তথাপি—নিজস্ব মৌলিক ভাব-চিন্তা মোৰ মাজত আছে যে—এই

তামসে ততাতৈয়াকৈ কৈ উঠিল, “মোৰ ওপৰত আপোনাৰ কিজানি খঙেই উঠিল। আপুনি কৰা পৰিৱৰ্তন অতি সঠিক আৰু উত্তম বুলি মই মানি লৈছোঁ। কিন্তু মোৰ নিজস্ব চিন্তাধাৰা বিঘ্নিত হৈছে। কাব্যগ্ৰন্থত সেই চিন্তাধাৰা কেনেকৈ পুনৰ ঘূৰাই আনিব পাৰোঁ—অনুগ্ৰহ কৰি কওক !”

“মহাৰাজে যেতিয়া তোমাৰ কাব্যৰ শলাগ ল'ব—তেতিয়াই তুমি বুজি পাবা যে এই কাব্যত তোমাৰ চিন্তাধাৰায়েই বজায় আছে। ময়েই কৈছোঁ, এই কাব্যগ্ৰন্থৰ চিন্তাধাৰা সম্পূৰ্ণভাবে তোমাৰ। তথাপি, তুমি যদি তথাপি সন্তুষ্ট হ'ব পৰা

নাই, তোমাক উপায় এটা কওঁ।—তোমাৰ মাজত যিখিনি প্ৰতিভা আছে, তাতকৈ অধিক আছে অহংকাৰ। জীৱনত সৎকাৰ্য্য সাধিবলৈ হ'লে আত্মবিশ্বাসৰ আৱশ্যক, অহংকাৰৰ আৱশ্যকতা নাই। অহংকাৰ হ'ল জীৱনত উন্নতিৰ প্ৰতিবন্ধক। আগতে সাধি লোৱা, পাছত অহংকাৰ পালি থাকিবা। তেতিয়া তোমাৰ এইবোৰ চিন্তাগ্লানি নহ'ব।" চিদানন্দই ক'লে।

"মহাশয়, আপুনি মোৰ আত্মবিশ্বাসকে অহংকাৰ বুলি ভবা নাই তো—?" তামসৰ এই তল-খুচৰীয়া প্ৰশ্নৰ উত্তৰত পণ্ডিত চিদানন্দই ক'লে, "বৎস! তোমাৰ মাজত আত্মবিশ্বাস আছেনো ক'ত? আত্মবিশ্বাস থকাহেঁতেন ৰজাই কোৱামাত্ৰেই তুমি মোৰ ওচৰলৈ নাহিলাহেঁতেন, অন্য ৰজাৰ ওচৰলৈহে স্বীকৃতিৰ বাবে গ'লহেঁতেন।"

"আগলৈ মই তেনেকুৱাই কৰিম। আপুনি বাৰু মোক প্ৰশংসা কৰিবনে?" তামসে সুধিলে।

"নহয়। কেৱল তোমালৈ পুতৌহে হৈছে মোৰ। তুমি তোমাৰ মাজত থকা অহংকাৰখিনি জাৰি-জোকাৰি পেলাব পাৰিলেহে আত্মবিশ্বাস ঘুৰাই পাবা। কেতিয়াবা মহৎ কাৰ্য্য কৰিম—এই দৃঢ় বিশ্বাসেই হ'ল আত্মবিশ্বাস।"

তামসে পণ্ডিতগৰাকীৰ কথাৰ আন একো বাদ-প্ৰতিবাদ নকৰাকৈ পৰিৱৰ্তিত-পৰিবৰ্ধিত কাব্যগ্ৰন্থখন পুনৰ মহাৰাজক দেখুৱালে। মহাৰাজে এইবাৰ তামসৰ কাব্যৰ ভূয়সী প্ৰশংসা কৰাত তামসে ভাল পালে আৰু ক'লে, "সেই মহান পণ্ডিতগৰাকীয়ে-মোৰ কাব্যগ্ৰন্থত ইমানেই সংস্কাৰ কৰিলে যে আপুনি নিৰ্দ্বিধাই মোলৈ শলাগৰ শৰাই আগ বঢ়ালে।"

মহাৰাজে তামসৰ এই সত্য-স্বীকৃতিৰো শলাগ লৈ তামসক প্ৰচুৰ ভাবে পুৰস্কৃত কৰি ৰাজানুগ্ৰহ প্ৰদৰ্শন কৰিলে।

বায়স-কথা

হাজাৰ হাজাৰ বছৰৰ আগৰ কথা। তেতিয়াৰ কালৰ অৱন্তী ৰাজ্যত মহাৰাজ অনুপৰ শাসন সুকলমে চলি আছিল। তেওঁৰ ৰাজ্যত ধনুৰ্দ্ধৰ নামৰ এগৰাকী মহান দৈৱজ্ঞ অৰ্থাৎ লোকৰ দশা গণিব জনা মানুহ এগৰাকী আছিল। তেওঁ আছিল ৰাজ-দৈৱজ্ঞ।

এদিন নদীৰপৰা স্নানাদি সমাপন কৰি পবিত্ৰ হৈ ঘৰলৈ গৈ থাকোঁতে কাউৰী এটাই দৈৱজ্ঞৰ মূৰত বিষ্ঠাত্যাগ কৰিলে। এই কথাত ৰাজ-দৈৱজ্ঞৰ ইমানেই ক্ষাই উঠিল যে তেওঁ ৰাজ্যত কাউৰীৰ বংশ ধ্বংস কৰাৰ ডাব কাটিলে।

ৰজাৰ প্ৰাসাদৰ পিছফালে দুখীয়াৰো দুখীয়া বুঢ়া মানুহ এজন এটা পঁজা-ঘৰত বাস কৰিছিল। এদিন বুঢ়াই ধান সিজাই ধানখিনি শুকুৱাবলৈ ৰ'দত মেলি দিয়াত ক'ৰবাৰপৰা গাধ এটা আহিল আৰু আহিয়েই গাধটোৱে বুঢ়াৰ ধানখিনি খাবলৈ ধৰিলে।

তেতিয়া বুঢ়াই গাধটোক গৰা মাৰি ধৰি তাৰ নেজত তালপাত মোৰিয়াই বান্ধি সেই তালপাতত মাটিতেল অলপ লগাই জুই লগাই এৰি দিলে। গাধটো জুইৰ তাপত বলিয়া হৈ দুৰমুৰকৈ পৰিলগৈ ৰজাৰ হাতীশালত, আৰু ৰজাৰ হাতীশালত তৎক্ষণাৎ জুই লাগি গ'ল। ভালেমান হাতী জুইত পুৰি আহত হ'ল।

ৰজাৰ আহত হাতীবিলাকক গজবৈদ্যই চিকিৎসা কৰি থাকিল। কিন্তু বহুদিন ধৰি চিকিৎসাৰ ফলতো জুইত পুৰি আহত হোৱা হাতীবিলাকৰ ঘা ভাল নহ'ল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ASSAMESE APR '92 IB



উপায় নাপাই, দুশ্চিন্তিত মহাৰাজে ৰাজ-দৈৰজ্ঞ ধনুৰ্দ্ধৰক মতাই অনালে পৰামৰ্শৰ বাবে। বহু, উপায় নোপোৱা ধনুৰ্দ্ধৰ দৈৰজ্ঞই উপায় পাই গ'ল, এইবাৰ ধাৰ বুজি খেও দিব পাৰিলেই হ'ল।

ৰজাৰ কথাৰ উত্তৰত দৈৰজ্ঞ ধনুৰ্দ্ধৰে ক'লে, "মহাৰাজ, হাতীৰ এই বেমাৰ ভাল কৰিবলৈ কাউৰীৰ তেল লাগিব।"

ৰজাই তৎক্ষণাৎ তেওঁৰ মহামন্ত্ৰীক ক'লে—কাউৰী দেখা পোৱামাত্ৰকে প্ৰজা বৰ্গই কাউৰী মাৰিব লাগে আৰু-সেইবোৰ কাউৰীৰ তেল ৰজাৰ খাজাঞ্চিৰ হাতত দিব লাগে।

ৰজাৰ ঘোষণা শুনি ৰাইজে বলিয়াৰ দৰে কোনো আগম-পুৰাম নোচোৱাকৈ কাউৰী মাৰি থাকিল। ল'ৰা-বুঢ়া সকলো চিকাৰী হৈ উঠিল, হাজাৰ-হাজাৰ কাউৰী বিনা দোষতে মৰি থাকিল, দৈৰজ্ঞৰ গাত বিহু বিহু লাগিল। এই কথাত দৈৰজ্ঞৰ কোনো সন্দেহ নাথাকিল যে—ৰাজ্যত কাউৰীৰ বংশ ধ্বংস হ'ব। কাউৰীবোৰ পা-পোৱালিয়ে মৰিব, যিবিলাক নমৰিব, কথমপি সাৰি যাব, সিবিলাকো এই ৰাজ্য এৰি পলাব, আৰু কেতিয়াও এই ৰাজ্যমুৱা হোৱাৰ সাহসহ নহ'ব।

অৱন্তীৰ মহাৰাজৰ এই অন্যায় কাউৰী-বিলাকৰ ৰজা—বায়সৰাজে মানি ল'ব নোৱাৰিলে আৰু বায়সৰাজে এই বিষয়টো অৱন্তী ৰাজ্যৰ ৰাজসভাত উত্থাপনৰ বাবে চিন্তা কৰিবলৈ ধৰিলে।

বায়সৰযুজাই—অৰ্থাৎ কাউৰীবোৰৰ ৰজাই উৰি উৰি অৱন্তীৰ ৰাজসভা পালেগৈ। তেতিয়া পৰিপূৰ্ণ ৰাজসভা চলি আছিল। বায়স-ৰজাই পোনে পোনেই অৱন্তীৰাজৰ সিংহাসনৰ ওচৰলৈ গ'ল আৰু ৰজাৰ একাষত ৰ'ল। এই দৃশ্য দেখি ৰজাৰ প্ৰহৰীহঁত মোচ খোৱা হৈ উঠিল আৰু সিহঁতে কৈ উঠিল, "হাৰে! ৰাজসভাতো কাউৰী!" সিহঁতে কাউৰীটোক ধৰিবলৈ

খেদি আছিল, কিন্তু মহাৰাজে সিহঁতক মানা কৰিলে। তেতিয়া বায়স-ৰজাই মানুহৰ ভাষাৰেই কৈ থাকিল :

"হে ৰাজন্! মোৰ ওপৰত ক্রুদ্ধ নহৈ দয়া কৰি মোৰ কথাখিনি শুনক। আনৰ বক্তব্য ধৈর্য্যৰে শুনাটো ৰজাৰ কর্তব্য বুলি মথিয়নসকলে কয়। অনৰ ভাল-মন্দৰ কথা নুশুনিলে অযথা আহুকালৰ সৃষ্টি হয়। এতিয়া মই আচল কথালৈ আহোঁ। আপোনাৰ ধনুৰ্দ্ধৰ দৈৱজ্ঞই যে জুইত পোৰা হাতীক কাউৰীৰ তেলেৰে তথা চৰ্বিৰে ভাল কৰি তুলিবলৈ কৈছে, সেই কথাৰ কোনো মূল্য নাই। কিয়নো—বাস্তৱ কথা হ'ল এয়ে যে—কাউৰীবিলাকৰ গাত কোনো ধৰণৰ তেল বা চৰ্বিয়েই নাই। গতিকে—দৈৱজ্ঞই নিশ্চয় কিবা দুৰভিসন্ধিৰেই আপোনাক কাউৰী-নিধনৰ পৰামৰ্শ দিলে। দয়া কৰি অনুসন্ধান কৰি ব্যৱস্থা গ্রহণ কৰি আমাক ৰক্ষা কৰক। এই ৰাজ্যত আমিও আপোনাৰেই প্ৰজা, মহাৰাজ!"

বায়সৰাজৰ কথা শুনি মহাৰাজে তৰধ মনিলে আৰু বায়সৰাজক সুধিলে কেউৰী-হঁতৰ গাত তেল বা চৰ্বি নাই কিয়?

মহাৰাজৰ কথাৰ উত্তৰত বায়সৰাজে ক'লে, "সমগ্ৰ মানৱজাতিয়েই কাউৰীৰ বিৰুদ্ধে অযথা শত্ৰুতা কৰি থকা হয়। সদায় কাউৰীবোৰক মানুহে খেদে। সদায় ইমান উৰি থাকিবলগা হোৱা বাবেই কাউৰীবিলাকৰ গাত তেল নোহোৱা হয়।"

তাৰ পাছত দৈৱজ্ঞক মতাই অনাই ডাবি-হুঁকিৰে মহাৰাজে দৈৱজ্ঞৰপৰা আচল কথা উলিয়ালে আৰু তৎক্ষণাৎ ৰাজ্যত কাউৰী-নিধন বন্ধ কৰাৰ আদেশ দিয়াৰ লগে লগে ধনুৰ্দ্ধৰ দৈৱজ্ঞকো ৰাজ্যৰপৰা বহিষ্কাৰ কৰি দিলে। এই দৰে কাউৰীকুল কথমপি ৰক্ষা পৰিল, যাৰ ফলত আজিও আমি উপকাৰী কাউৰীবোৰক আমাৰ মাজতে পাই আছোঁ।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

কেঙাৰুৰ নেজ!

কেঙাৰু হ'ল অষ্ট্ৰেলিয়াৰ এবিধ স্তন্যপায়ী জন্তু। ইহঁতে নিজৰ পেটৰ ওপৰত থকা মোনাত ইহঁতৰ পোৱালিবিলাকক ভৰাই লৈ ফুৰে। কেঙাৰুৱে প্ৰকৃততে খোজ নাকাঢ়ে, দৌৰিও নাযায়। ইহঁতে নিজৰ নেজৰ ওপৰত ভৰ দি জঁপিয়ায়। মস্ত ডাঙৰ কেঙাৰুৱে এবাৰতে ৩০ ফুট বা ৭ মিটাৰলৈ জঁাপ মাৰিব পাৰে। নেজডাল যেতিয়াকৈে মাটিত নপৰে, তেতিয়ালৈকে ই জঁপিয়াই থাকিব পাৰে। সাধাৰণতঃ কেঙাৰুৰ নেজ ৩'৫ ফুট দীঘল হয়।





ওবাকি-টকি

হাতী সাধাৰণতঃ গভীৰ বনত ঘূৰা-ফুৰা কৰে। ইহঁতে বিভিন্ন ঠাইত নিৰাপত্তা-পৰীয়া মোতায়েন কৰি থয়, অৰ্থাৎ কিছুমান হাতীয়ে বিপদ-সংকেত দিবলৈ অৰণ্যৰ বিভিন্ন ঠাইত ৰৈ থাকে। বিপদৰ সংকেত হিচাপে পৰীয়া হাতীয়ে তাৰ শুঁৰডাল ওপৰলৈ দাঙি ধৰে। এই পৰীয়া হাতীৰ শুঁৰ আনকি আধা মাইল দূৰৰপৰাও অন্যান্য হাতীয়ে দেখা পায় আৰু সাৱধান হয়। ইমান দূৰৰপৰা পৰীয়া হাতীৰ শুঁৰ কেনেকৈ দেখা পায়—সি আজিও মানুহৰ বিস্ময়!

কেটেলাৰ কেৰামতি!

কেটেলা পহু হ'ল চোকা চোকা দাঁত আৰু কাঁড়ৰ দৰে তীখৰ—কাঁইটীয়া পাখি থকা কপিলা বৰণৰ জন্তু। এটা সাধাৰণ কেটেলাৰ গাত মোটামুটি ৩০,০০০ পাখি থাকে। এইবোৰ পাখিৰ সহায়ত কেটেলাই পানীত সাঁতুৰিবও পাৰে আৰু পানীৰ ওপৰত ওপঙিও থাকিব পাৰে। এইবোৰ পাখি ভিতৰ-ফোপোলা পাখি। আগৰকালত এইবোৰ ভিতৰ-ফোপোলা পাখিৰ ভিতৰত চিয়াহী ভৰাই তাৰে অতি সুন্দৰ ভাৱে লিখা হৈছিল।



PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব। ১৯৯২ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯২ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মইনাৰ এই মন দ্বিতীয় ফটো : আইতাৰ সেই ৰং

গৌতম গোস্বামী, পাটাসত্ৰ, বৰপেটা, অসম।

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৪৮.০০ টকা মাথোন
বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :
Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 216.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 216.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০ ০২৬


৭০ প্ৰকাৰে - ভাহিৰ আনন্দৰ
nutrine
nutrine
ৰাশি ৰাশি হাঁহি
CLARION K-566 A